
# মঙ্গলদই



শ্রীদীনেশ্বৰ শৰ্ম্মা

১৯৩৩ চনত মঙ্গলদৈত বহা সাহিত্য সভাৰ উপলক্ষে
সভ্য সকলক বিতৰণ কৰা হল।

সাহিত্যসেবী সকলৰ শ্ৰীকৰকমলত

“[illegible]ল দৈ ক”

অৰ্পণ কৰা

হল।



সংগ্ৰহক ও প্ৰকাশক—

শ্ৰীদীনেশ্বৰ শৰ্ম্মা।
শ্ৰীলোকনাথ গোস্বামী
শ্ৰীভূমিধৰ শৰ্ম্মা।

মঙ্গলদৈ
২৩।১২।৩৪

---

বেচ ।০ অনা মাথোন।

তলত লিখা ঠিকানাত এই কিতাপ
আৰু ভক্তি প্ৰভাৱলী পোৱা যায়।

**শৰ্ম্মা ব্ৰাদাৰ্স এণ্ড কোং।**

পোঃ আঃ—নাংলা।

# নিবেদন ।

আসামবাসী মাত্রেই আসামৰ সাহিত্য-বুৰঞ্জী সম্পূর্ণৰূপে জানিব'ল আগ্রহান্বিত । মঙ্গলদইয়ো আসামৰ ভিতৰত এডুখৰি ঠাই । আসামৰ সাহিত্য-বুৰঞ্জীৰ ভিতৰত মঙ্গলদইৰ সাহিত্য-বুৰঞ্জী "নেথাকিলে অঙ্গ পূর্ণ নহব"। "সেইবাবে মঙ্গলদইত থকা পুৰণি নগৰৰ ভগ্নাবশেষ, দৌল, দেৱালয়, আলি পুখুৰীৰ কীর্ত্তি চিন সামাজিক উৎসবাদিৰ বিষয় আসামবাসীৰ আগত দাঙ্গি ধৰাৰ একান্ত আৱশ্যক অনুভব কৰিলোঁ । পুৰণি কামৰূপৰ বুৰঞ্জীৰ আহিলা গোটাওঁতে আমাৰ এই সৰু কিতাপ খনিয়ে প্রত্নতাত্ত্বিক সকলক অশেষ সহায় কৰিব বুলি বিশ্বাস কৰি এই মঙ্গলদই নামৰ কিতাপখনি ৰাইজৰ আগলৈ উলিয়ালোঁ । ইয়াত উল্লেখ থকা বিষয়বোৰৰ সম্বন্ধে আমাৰ লগত কাৰো কাৰো মতৰ অমিল হব পাৰে, সেই সকলে নিজ চকুৰে সেই ঠাই বিলাক চাই, কিম্বদন্তী আখ্যান আদি শুনি, সত্যাসত্য নির্ণয় কৰিলেই বুজিব পাৰিব । মঙ্গলদইৰ অন্যতম সাহিত্যিক ভৱদেৱ সত্রাধিকাৰ শ্রীযুত ভুবনচন্দ্র গোস্বামী দেৱে প্রকাশ কৰিবলৈ যুগুত কৰি ৰখা মঙ্গলাদেবী নামৰ পদ্য পুথিৰ পৰা এই বিষয় বহুত সহায় লোৱা হৈছে । হৰিশঙ্গা মৌজাদাৰ শ্রীযুত নবীন চন্দ্র মেধি, নেউলাৰ বিয়াখলাৰ ওচৰৰ ওদলা গাওঁৰ শ্রীযুত

দেহৰাম ওজা, মঙ্গলদইৰ সাহিত্য-সেবী শ্ৰীযুত জগন্নাথ ভট্টাচাৰ্য্য, শ্ৰীযুত জয়ৰাম কাকতি, শ্ৰীযুত অনিৰুদ্ধ শৰ্ম্মা, শ্ৰীযুত কৃষ্ণকান্ত মহন্ত মৌজাদাৰ, মুন্সি আমিৰুদ্দিন আহম্মদ মৌজাদাৰ আদি ইয়াৰ বিশেষজ্ঞ লোকসকলৰ পৰা ইয়াত উল্লেখ থকা বিষয়বোৰৰ তথ্য সংগ্ৰহ কৰোঁতে অনেক সহায় পোৱা হৈছে। তেখেত সকলৰ আন্তৰিক শলাগ লৈছোঁ। আমাৰ বন্ধুবৰ শ্ৰীযুত লোকনাথ গোস্বামী আৰু শ্ৰীযুত ভূমিধৰ শৰ্ম্মা দেৱে মোক এই কাৰ্য্যত কায়িক আৰু আৰ্থিক সহায় কৰি উৎসাহিত কৰা বাবে তেওঁলোক ধন্যবাদৰ পাত্ৰ। মঙ্গলদইবাসীৰ ওচৰত মোৰ বিনীত নিবেদন এই যে, ইয়াত উল্লেখ থকা বোৰত বাদেও যদি মঙ্গলদইৰ ভিতৰত থকা কোনো প্ৰধান ঠাইৰ বিৱৰণাদি বাদ পৰিছে কিম্বা কোনো ভুল কথা প্ৰকাশ হৈছে তাক যেন পাঠকসকলে আলোচনী যোগে সৰ্ব্বসাধাৰণৰ আগত প্ৰকাশ কৰে এই আশা।

ব্যাসপাৰা
২৬।১২।৩৪ ইং

সংগ্ৰাহক আৰু লিখক—
শ্ৰীদীনেশ্বৰ শৰ্ম্মা।

# মঙ্গলদই।

## স্বৰ্গতো অধিক জনমভূমি।

### আৰম্ভণি।

বৰ্ত্তমান মঙ্গলদই আসামৰ ভিতৰত আটাইতকৈ পিচ-পৰা ঠাই। আসামৰ ভিতৰতহে নহয়, বৃটিচ সাম্ৰাজ্যৰ ভিতৰত বুলি কলেও অত্যুক্তি নহব। আজ মঙ্গলদইৰ স্বাস্থ্য-সমাজ-ভাষা-কৃষ্টি আসামবাসীৰ ওচৰত ঘৃণনীয় নহলেও আদৰণীয় নহয়। আজিৰ মঙ্গলদই আসাম মাতৃৰ আন কেইটি কন্যাত কৈ সুমঙ্গলা আৰু আভঁজী। এসময়ত কিন্তু এই আভঁজী মঙ্গলদইয়ে আসাম মাতৃৰ উপযুক্ত বীৰ সন্তান আসাম-গৌৰব প্ৰতাপসিংহ স্বৰ্গদেৱৰ ৰাজকুঁৱৰেঙ্গৰ পাটমাদৈ হৈ আসামৰ সিংহাসন শোভা কৰিছিল সেই কালত, তাৰ পূৰ্ব্বকালত আৰু বৰ্ত্তমান কালত মঙ্গলদইৰ কি অৱস্থা আছিল আৰু হৈছে, তাক এই প্ৰবন্ধত দেখুৱাবলৈ চেষ্টা কৰা হৈছে। এই প্ৰবন্ধত উল্লেখ কৰা বিষয় বিলাক অনুসন্ধান কাৰি সত্যতা নিৰ্ণয় কৰোঁতে বহুতৰ নহলেও কেজনমান অনুসন্ধানাবিদৰ

বহুত নেলাগিলেও নিশ্চয় কিছু দিনৰ আৱশ্যক হব। কিয়নো আসামৰ সভ্যতা ইমান পুৰণি যে, সূক্ষ্ম দৃষ্টিৰে অনুসন্ধান নকৰিলে সি চকুত নপৰে। সেই বাবেই আমাৰ ওচৰ সম্বন্ধীয় দেশৰ ভাইসকলে আসামৰ সভ্যতাৰ কাল নিৰ্ণয় কৰোঁতে হব বেমেজালিত পৰে। কিন্তু বৰ্ত্তমান যুগৰ মনীষী সকলে প্ৰকাশ কৰিছে যে আসামৰ সভ্যতা অতি পুৰাণ। ভাৰতৰ সুপ্ৰসিদ্ধ চিন্তাশীল ঋষি শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ ৰায়ে আসামৰ সভ্যতা সম্বন্ধে তেজপুৰলৈ আহোঁতে কৈছিল যে "Assam is a land whose glory in the past outdid all others" অৰ্থাৎ আসামৰ প্ৰাচীন কীৰ্ত্তিয়ে সকলো ঠাইকে চেৰ পেলাইছে। "When Bengal had any Civilization at all, Assam had a mighty empire of herself." অৰ্থাৎ যেতিয়া বঙ্গদেশত সভ্যতাৰ নাম গন্ধ নাছিল, তেতিয়া আসাম এখন নিজে প্ৰতাপী সাম্ৰাজ্য আছিল।

মঙ্গলদইৰ সভ্যতা আকৌ আসামৰ ভিতৰত আটাইতকৈ পুৰণি। কিয়নো বৈদিক যুগৰ বেদত উল্লেখ কৰা বিষয়ৰ আলোচনা কৰিলে দেখা যায় যে, ঋক বেদৰ প্ৰথম মণ্ডল মঙ্গলদইবাসী ঋষি এজনেহে প্ৰণয়ন কৰিছিল। এই প্ৰমাণ আগৰ অধ্যায়ত বিশেষ বৰ্ণনা কৰা হৈছে।

মঙ্গলদইৰ আন নাম দৰং। দৰঙৰ উত্তৰে থকা চাবিদুৱাৰ, ন দুৱাৰে প্ৰমাণ কৰে যে, এই বিলাক

এসময়ত হিমালয়ৰ পৰা অহা যোৱা কৰা দ্বাৰ আছিল। সেই দুৱাৰেদি আৰ্য্য সকল আহি এই পুণ্য ভূমিত পদাৰ্পণ কৰিছিল। আৰু ইয়াতেই আৰ্য্য সকলে আহি প্ৰথমে বেদ ৰচনা কৰিছিল। তাতবাদেও মঙ্গলদইৰ উত্তৰে থকা খেৰখেৰিয়া বাগিছাৰ মাজেদি আৰু ওদালগুৰিৰ উত্তৰে থকা ভৈৰৱকুণ্ডৰ কাষেদি এতিয়াও ওপৰলৈ অহা যোৱা কৰা দুটা প্ৰধান পৰ্ব্বতীয়া বাট আছে। এই বাটোদয়ে আৰ্য্য বিলাক প্ৰথমে মঙ্গলদইত পদাৰ্পণ কৰি বেদ ৰচনা কৰিছিল, আশ্ৰম আদি পাতিছিলাহি। ঋক বেদৰ প্ৰথম মণ্ডলৰ ৰচনা কৰ্ত্তা কৌশিক বা বিশ্বামিত্ৰ মুনিৰ আশ্ৰম, মঙ্গলদইতে আছিল। এই কথা আসামৰ প্ৰবীণ প্ৰত্নতাত্বিক শ্ৰীযুত ৰজনী কুমাৰ পদ্মপাণ্ডয়ে প্ৰমাণ কৰিছে। ভাকো আগৰ অধ্যায়ত বিশেষকৈ বৰ্ণনা কৰা হৈছে।

( ১ )

উত্তৰে ভোটান, দক্ষিণে ব্ৰহ্মপুত্ৰ, পূবে পাচনৈ, পশ্চিমে বৰনদী এই চাৰি সীমাৰ ভিতৰৰ ঠাই ডুখৰকে বৰ্ত্তমান মঙ্গলদই মহকুমা বোলে। হয়াৰ কিছুকালৰ পূৰ্ব্বে ই এখনি মহকুমা নাছিল, ই এখন আছিল ৰাজ্য; আৰু তাৰ নাম আছিল দৰং। দৰংৰাজ্য নামে আহোম কালত তাৰ সীমা বহল আছিল। দৰং ৰাজ

বংশাৱলীত দৰং ৰাজ্যৰ সীমা সম্বন্ধে এইদৰে লিখিছে যে—

ৰাজ্য দিলো আজ ধাৰ, চতুৰ্দ্দিশ সীমা কৰি,
সত্যে সত্যে কৈলোহো নিশ্চয়।
পূৰ্ব্বত ভৈৰবী নদী, পশ্চিমত কৰ্ত্তিয়া নদী,
যাক সেবি নৰে মুক্ত হয় ॥
উত্তৰে গামৰী গিৰী, দক্ষিনে পৰ্ব্বত চিৰি,
এহি চতুৰ্দ্দিশে দিলো ভূমি।
উৎসৰ্গিলো তিলে কুশে, ভুঞ্জিবাহা মহাসুখে,
সত্যে সত্যে ভুঞ্জিবাহা ভূমি ॥
হস্তি ঘোৰা নৰ দাসী, বস্ত্ৰ-অলঙ্কাৰ ৰাশি,
মহা মহোৎসবে উৎসৰ্গিলা।
গাড়ু পাতি তোলা কাৰ, হাতে তিলকুশ ধৰি,
দৰঙ্গক যৌতুকক দিলা ॥

এই চাৰি সীমাৰ ভিতৰৰ ঠাইক আহোম ৰাজত্ব কালত দৰং বোলা হৈছিল। এই দৰং ৰাজ্যৰ ৰাজধানী আছিল মোহনপুৰ। দৰঙ্গীৰজা পৰীক্ষিত নাৰায়ণৰ কন্যা আহোম ৰজা স্বৰ্গদেৱ প্ৰতাপসিংহৰ ৰাণী মঙ্গলাদেৱীৰ নামমতে এই মোহনপুৰৰ ওচৰৰ কিছু ঠাইৰ নাম মঙ্গলদই হয়। আৰু বৰ্ত্তমান সময়ত মঙ্গলদই বুলিলে দৰং জিলাৰ মহকুমাটোকে বুজায়। মুঠ কথা এই বৰ্ত্তমান মঙ্গলদইৰ পূৰ্ব্বৰ নাম আছিল দৰং।

অতি প্ৰাচীণ কালত দৰংক প্ৰাগদেশ বোলা হৈছিল। মহাভাৰতত উল্লেখ থকা মহাৰাজ শ্ৰীবৎসৰ ৰাজ্য আছিল প্ৰাগ্‌দেশ। শ্ৰীবৎস ৰজাৰ ৰাজ্য প্ৰাগ্‌দেশৰ ৰাজধানীৰ নাম আছিল ধৰমপুৰ। এই ধৰমপুৰ নগৰ বৰ্ত্তমান মঙ্গলদই মহকুমাৰ অন্তৰ্গত ধলপুৰ পাহাৰতে আছিল বুলি কিম্বদন্তী আছে। আজি মাথোন কেবছৰ গানৰ আগতে মঙ্গলদইৰ অন্তৰ্গত আৱাং গাওঁৰ এজন মানুহে এই পৰ্ব্বতত খান্দি কিছু তলত কিছুমান পাটৰ কাপোৰ আৰু বাচন বৰ্ত্তন পাইছিল বুলি শুনা যায়। তাৰ পৰা অনুমান যে অসত্য নহয় তেনে বিশ্বাস হয়। অতিজ্ঞতে ইয়াৰ নাম প্ৰাগ্‌দেশ, তাৰ পিচত দৰং আৰু বৰ্ত্তমান মঙ্গলদই নামে জনাজাত। অতি পূৰ্ব্ব কালত মঙ্গলদই এখনি আৰ্য্য সভ্যতাৰ লীলাভূমি আছিল। ধৰ্ম্মপ্ৰাণ আৰ্য্য ঋষি সকলে যি চিহ্নযুক্ত দেশক যজ্ঞীয় দেশ বুলি বৰ্ণনা কৰি গৈছে, সেই যজ্ঞীয় দেশ মঙ্গলদই আছিল। যি ঠাইত কৃষ্ণসাৰ পশু সৰ্ব্বত্ৰ বিচৰণ কৰে সেই ঠাইক ঋষি সকলে যজ্ঞীয় দেশ বুলিছিল। এতিয়াও মঙ্গলদইৰ উত্তৰাঞ্চলে ভোটান পাহাৰৰ নামনিত কৃষ্ণসাৰ পশু দেখিবলৈ পোৱা যায়।

পঞ্জাবলৈ অহা আৰ্য্য সকলৰ বহুকালৰ পূৰ্ব্বে আন এদল আৰ্য্য পূবপিনেদি ভাৰতত প্ৰবেশ কৰিছিলহি বুলি বহুত প্ৰত্নতাত্ত্বিক পণ্ডিত সকলে প্ৰমাণৰ দ্বাৰাই থিৰাং

কৰিছে। মঙ্গলদই সেই আৰ্য্য সকলৰ বাস ভূমি আছিল। ঋক বেদৰ প্ৰথম মণ্ডলৰ ১০৪ সুক্তত উল্লেখ থকা চিফা, অনজাচি, কুলশী, আৰু বিৰপতনি নদী এই মঙ্গলদৰ ভিতৰত। বেদত লিখা আছে এই চাৰি-খান নদীৰ পাৰৰ হাবিত থকা ঘৰৰ পৰা ডকাইত কিছুমান ওলাই আহি তাৰ ওচৰত বসতি কৰা আৰ্য্য সকলক অত্যাচাৰ কৰে; আৰু এই চাৰি নদীৰ পানীয়ে সিঁহতক আগুৰি ৰক্ষা কৰে। মঙ্গলদই মহকুমাৰ ভিতৰত ছিপাঝাৰ নামে মৌজাৰ ভিতৰত ছিপাঝাৰ নামে এখন গাওঁ আছে। সেই গাওঁৰ ভিতৰেদি ব্ৰহ্মপুত্ৰৰ ফাললৈ বৈ যোৱা এটা মৰা নদীৰ চিন আছে। নদীৰ পাৰৰ গাওঁক ছিপাঝাৰ বোলে। ছিপাঝাৰ আৰু চিফাঝাৰ প্ৰায় একে উচ্চাৰণ যেন শুনা যায়। চিফা নামে নদীৰ পাৰৰ বনক ছিপাঝাৰ বা বন বোলা নিশ্চয় সম্ভব। এই ছিপাঝাৰ মৌজাৰ অন্তৰ্গত ছিপাঝাৰ গাওঁৰ কাষেদি বৈ যোৱা মৰা নদীয়ে যে ঋক বেদোক্ত চিফা নদী এনে অনুমান হয়। এই মৰা নদীৰ পৰা প্ৰায় দুই মাইল মান আঁতৰেদি ৰয়নাকুছি মৌজাৰ কাষেদি বৰ্ত্তমানো কুলশী নামে এটি নদী আছে। এই কুলশী নদীয়ে যে বেদোক্ত কুলশী নদী তাত অকণো সন্দেহ নাই। কুলশী নদীৰ পৰা আঠ, দহ মাইল মান আঁতৰত ৰবনদী। ৰবনদীক ৰবনৈও বোলে। এই ৰবনৈয়ে

খিৰপত্নিৰ। খিৰপত্নি পৰা খিৰপনি, খিৰপনিৰ পৰা নিৰনি আৰু বিৰনিৰ পৰা বৰ বৈ হোৱা খুব সম্ভৱ। এতিয়া চিফা, কুলশী, খিৰপত্নি পোৱা হল মাথোন বাকী অনৃঞ্জাছি। সুক্তত লিখা আছে যে এই কেপন নদীৰ পানীয়ে আগুৰি সিহঁতক ৰক্ষাকৰে। এই তিনি খন নদীয়ে আগুৰা দিশৰ চিফা আৰু কুলশী নদীৰ মাজৰ ব্যৱধান খিনিত যি নদী আছে সেই নদীকে অনৃঞ্জাচি বুলি ধৰিলে ভূল নহব। ন নদীয়ে এই ত্ৰিকূটি আগুৰি আছে। এতেকে এই ন নদীয়ে যে অনৃঞ্জাচি নদী আছিল তাক অনুমান হয়। পুৰণি আসামত ভূমুকি নামৰ প্ৰবন্ধ এটিত ২য় বছৰ ৭ম সংখ্যা বাঁহীত শ্ৰীযুত ৰজনী কুমাৰ পদ্মপতিয়ে এই বিষয় বিশদ ব্যাখ্যা দিছে। কুলশী নদীৰ পাৰত তপস্বী শ্ৰেষ্ঠ কৌশিক বা বিশ্বামিত্ৰ ঋষিৰ আশ্ৰম আছিল। এই বিশ্বামিত্ৰই যে ঋকবেদৰ ১ম মণ্ডলৰ ৰচনা কৰ্ত্তা ই নিশ্চয়। এতিয়া দেখা গল যে, ঋক বেদৰ ১ম মণ্ডল ৰচনা কৰা কালতে মঙ্গলদই আৰ্য্য বসতিৰ প্ৰধান স্থান আছিল। তাত বাদেও বৰ্ত্তমান হুবিশিগুৱা আৰু জম্বাগাওঁ মৌজাৰ ভিতৰেদি বৈ থকা চন্দনা, কল্যাণী বা কালিন্দ্ৰী ভোলানাথ লক্ষ্মী, সৰস্বতী ধনশ্ৰী আদি নৈৰ নাম আৰ্য্য সকলে দিয়া নামত বাদে আন যে নহয় ই ধ্ৰুব। ভোটানৰ নামনিত থকা খেৰখোৰিয়া পাহাৰৰ উত্তৰাঞ্চলত

এতিয়াও এনে কিছুমান ঠাই আছে, যি বোৰৰ দৃশ্য পূৰণি ঋষি মুনিৰ আশ্ৰমৰ দৃশ্যৰ লগত তেনেই মিল। চন্দন, মৰাচৰাই, কস্তুৰী আদি পাৰ্ব্বত্য সমৃদ্ধি বিচৰণ কৰা লোকসকলৰ মুখৰ পৰা এই দৃশ্য বিলাকৰ বৰ্ণনা শুনা যায়। মঙ্গলদই নগৰৰ পৰা ৩৯ মাইল উত্তৰে ভৈৰৱকুণ্ড নামে ভোটান পাহাৰৰ নামনিত এটি কুণ্ড আছে, তাত থকা নানা বৰণীয়া মাছ বোৰৰ কোনো প্ৰাণীলৈ ভয় নোহোৱা ভাব দেখিলে সেই পূৰ্ব্ব কালৰ ঋষি আশ্ৰমৰ ভক্ষ্যাভক্ষকৰ ভিতৰত বিৰোধ নথকা অহিংসা ভাব যেন দেখা যায়। বহুতেও এই ভৈৰৱকুণ্ডক পাণ্ডৱসকলৰ স্বৰ্গ যাত্ৰাৰ সময়ত স্নান কৰা তীৰ্থ স্থান বুলি আখ্যা দিয়ে। এতিয়াও ইয়াত প্ৰতি বছৰে শই শই যাত্ৰীয়ে স্নান কৰি নিজক পবিত্ৰ জ্ঞান কৰে।

মঙ্গলদইৰ উত্তৰে হৰিশিঙা নামে এখনি মৌজা আছে তাৰ ভিতৰত থকা হৰিশিঙা নামৰ গাওঁৰ পৰা এই মৌজাৰ নাম হৰিশিঙা হৈছে। জনশ্ৰুতি আছে যে, যেতিয়া উষা-অনিৰুদ্ধৰ গুপ্ত প্ৰণয় বিচ্ছেদৰ কাৰণে শোণিতপুৰাধিপতি বাণাসুৰৰ লগত দ্বাৰকেশ্বৰ শ্ৰীকৃষ্ণৰ যুদ্ধ হয় তেতিয়া এই হৰিশিঙাত বৈ ( শ্ৰীকৃষ্ণ ) হৰিয়ে শিঙা ফুকাই সৈন্য পৰিচালনা কৰিছিল ; এই কাৰণে এই ঠাইৰ নাম হৰিশিঙা হয়।

মঙ্গলদই চহৰৰ পৰা ৩০ মাইল আঁতৰত দক্ষিণ

পশ্চিম ফালে ব্ৰহ্মপুত্ৰৰ পাৰত থকা কুৰুৱা পাহাৰ আসাম-বাসীৰ ওচৰত পৰিচিত। গোৱাটীৰ পৰা নিচেই ওচৰ। কিম্বদন্তী আছে যে, নৰকাসুৰৰ পুত্ৰ ভগদত্তৰ জীয়েক ভানুমতিৰ সয়ম্বৰৰ সময়ত কৌৰৱ বিলাকক এই ঠাইতে বাহৰ কৰি থাকিবলৈ দিয়া হৈছিল। এই বাবে ইয়াৰ নাম কুৰুৱা বুলি কয়। কুৰুৱা পাহাৰৰ চাৰিওফালে এতিয়াও গড়ৰ চিন আছে।

ওপৰত উল্লেখ কৰা স্থান বোৰত বাদেও মঙ্গলদইৰ হাবি বননিৰ মাজত এনে কিছুমান পুৰণি নগৰৰ ভগ্নাৱশেষ আজিও ধ্বংস হৈ অৱশিষ্ট আছে, যি বোৰ দেখিলে নিশ্চয় অনুমান কৰিব পাৰি যে বহুকালৰ পূৰ্ব্বে এই ঠাই এখনি পুৰণি সভ্যতাৰ লীলাভূমি আছিল। হৰি-শিঙা মৌজাৰ উত্তৰে পলিটিকেলৰ ভিতৰত হাবিৰ মাজত থকা নগৰৰ ভগ্নাৱশেষ উল্লেখ যোগ্য। প্ৰায় ১৬০ বিঘামান মাটি জুৰি এটা প্ৰকাণ্ড ৮২।১৬ ফিট মান ওখ গড়ৰ ভিতৰত এই নগৰ। গড়ৰ দুৱাৰমুখত ১২।১৬ ফিট মান ওখ শিলৰ স্তম্ভ দুটা আছে। গড়টোৰ দুৱাৰ চাৰিখন। গড়ৰ ভিতৰ এতিয়া প্ৰকাণ্ড অৰণ্যৰে পৰিপূৰ্ণ। দুৱাৰ মুখৰ শিলৰ স্তম্ভবোৰ দেখিলে অনুমান কৰিব পাৰি যে, এই নগৰ বৌদ্ধযুগৰ বহুকালৰ পূৰ্ব্বে সজোৱা হৈছিল। ভাতৌ চিকাৰী মানুহৰ মুখে শুনা যায় নগৰৰ ভিতৰত এতিয়াও শিল কিছুমান পাব আছে। এই

খিলাক ভালকৈ অনুসন্ধান কৰিব পাৰিলে পুৰণি কামৰূপৰ বুৰঞ্জীৰ আৰু এটি অধ্যায় পূৰ্ণ হোৱাৰ সম্ভৱ।

( ২ )

বৌদ্ধ যুগৰ সময়তো মঙ্গলদই এখনি জনবহুল বৌদ্ধ সভ্যতাৰ লীলাভূমি আছিল। শ্ৰীবুদ্ধ দেৱৰ শ্ৰীমুখ নিঃসৃত অহিংসাৰ অমৃত বাণী শুনি এদিন এই মঙ্গলদইৰ লোক সকলে বৌদ্ধধৰ্ম্মত দীক্ষিত হৈ ধৰ্ম্মপ্ৰাণতাৰ পৰিচয় দিয়াৰ ভূৰি ভূৰি প্ৰমাণ ইযাত জাজ্বল্যমান। মঙ্গলদই মহকুমাৰ ভিতৰত থকা বৌদ্ধ যুগৰ মন্দিৰ আৰু তাৰ ওচৰত থকা দেৱধৰ্ম্মৰাজ্য নিবাসী ভোটান সকলক দেখি নিশ্চয় সিদ্ধান্ত কৰিব পাৰি যে, এই ঠাইকে কেন্দ্ৰ কৰি, উত্তৰে ভোট, তিব্বত আদি পাৰ্ব্বত্য দেশত আৰু পূবে শ্যাম, ব্ৰহ্ম আদি দেশত বৌদ্ধধৰ্ম্ম প্ৰচাৰিত হৈছিল। বৰ্ত্তমান মাজবাট ষ্টেচনৰ পৰা কিছু দূৰৈত থকা বৰছিলাঝাৰ মৌজাৰ মহামুনি মন্দিৰেই তাৰ বিশেষ প্ৰমাণ। অলপতে আমাৰ সুযোগ্য প্ৰত্নতাত্ত্বিক শ্ৰযুত প্ৰতাপচন্দ্ৰ গোস্বামী দেৱে আৱিষ্কাৰ কৰা হৰিশিঙা মৌজাৰ ভিতৰৰ মাজুলি চাহ বাগিছাৰ ওচৰত থকা হয়গ্ৰীৱ মাধৱৰ মন্দিৰ তাৰ অন্যতম প্ৰমাণ। এই হয়গ্ৰীৱ মাধৱৰ মন্দিৰ স্থাপন হোৱাৰ কিছুকালৰ পিছতহে হাজোত থকা হয়গ্ৰীৱ মাধৱৰ মন্দিৰ নিৰ্ম্মিত হৈছিল বুলি তেখেতে প্ৰমাণ কৰিছে। উপৰোক্ত মহামুনিৰ মন্দিৰত এতিয়াও বৌদ্ধ

ধৰ্ম্মী ভোটান বিলাকে পূজা সেৱা কৰেছি।

ছিপাঝাৰ মৌজাৰ ভিতৰত মঠাঝাৰ নামে এখনি গাওঁ আছে। এই গাওঁৰ ভিতৰত এটি মঠ আছিল, এতিয়া সি নাম মাত্ৰ আছে। এই মঠৰ নাম অনুসৰিয়ে এই গাওঁৰ নাম মঠাঝাৰ হয়। বহুতে অনুমান কৰে যে, এই মঠ বৌদ্ধ যুগৰ সময়ত নিৰ্ম্মিত হৈছিল। তাত বাদে লোক্ৰাই মৌজাৰ ভিতৰত থকা নাৰিকলিৰ শিলৰ গোসাঁই ঘৰ। ইয়াত কিছুমান খোদিত মূৰ্ত্তিযুক্ত শিল ঘৰৰ আকাৰে সজাই থোৱা আছে। এই শিল বিলাকৰ মূৰ্ত্তি বিলাক দেখিলে নিশ্চয় অনুমান হয় যে এইবিলাক বৌদ্ধ যুগৰ কালত কৰা বৌদ্ধ যুগৰ শিলাকুটিৰ কাম।

( ৩ )

তাৰ পিচতে পৌৰাণিক যুগ। এই অধ্যায়ৰ প্ৰথমতে যিটি বিষয়ৰ অৱতাৰণা কৰা হৈছে, সি অতি সুন্দৰ সৰ্ব্বজন আদৃত আৰু আমাৰ আসামবাসীৰ পক্ষে পৰম গৌৰৱৰ বিষয়। সি বিষয় লৈ আজি বহুদিন ধৰি বঙালি প্ৰত্নতাত্বিক সকলৰ সৈতে বাদ বিসম্বাদ চলি আহিছে, আমাৰ এই অনুসন্ধানৰ পৰিশ্ৰমে তাক খণ্ডন কৰিব বুলি আশা কৰিব পাৰিছোঁ। অনুসন্ধান বিদ্‌সকলে আমাৰ এই লিখা আলমকে লৈ স্থিৰ সিদ্ধান্তত উপনীত হবলৈ অনেক সহায় পাব। ১৯৩২ চনৰ আইন অমান্য আন্দো-লনৰ সময়ত কংগ্ৰেচৰ প্ৰচাৰ কাৰ্য্যত ঘুৰোঁতে এই ঠাইলে

গৈ ইয়াত উক্ত থকা বিষয়বোৰ থকা ঠাই বিলাকত গৈ, সেই ঠাইৰ স্থানীয় বয়সীয়াল লোকসকলক সুধি আৰু তাত প্ৰচলিত থকা কিম্বদন্তী বিলাক শুনি দুৰ্গাবৰ নাৰায়ণ দেৱৰ পুথিৰ সহায় লৈ সৰ্ব্বসাধাৰণৰ আগলৈ উলিয়াবলৈ মোৰ ইচ্ছা আছিল। কিন্তু অসুবিধা বশতঃ পলম হ'ল। এতিয়া আকৌ আমাৰ সহকৰ্ম্মী শ্ৰীযুত লোকনাথ গোস্বামী আৰু শ্ৰীযুত ভূমিধৰ শৰ্ম্মা দেৱৰ সহায়ত তাক ৰাইজৰ আগলৈ উলিয়ালোঁ।

আজি যি কেগৰাকী সতীৰ নাম লৈ আমি গৌৰবান্নুভব কৰোঁ, যিসকল পতিপ্ৰাণা সতীৰ নাম লৈ আজি ভাৰতৰ তিৰোতা সমাজে স্ত্ৰী চৰিত্ৰৰ মহত্ত্বতাৰ আদৰ্শ জগৎবাসীৰ আগত ডাঙি ধৰে, যি সকল সতীৰ সতীত্বৰ আদৰ্শে বিশ্ববাসীৰ চকুত তন্ময় লগায়, যাৰ সতীত্ব তেজত অসম্ভৱো সম্ভৱ বুলি প্ৰমাণিত হৈছে, সেই পতিপ্ৰাণা প্ৰাতঃ স্মৰণীয়া আদৰ্শ সতীৰ অন্যতম সতী বেউলা দেবীৰ জন্মস্থান এই মঙ্গলদই। ধন্য সতী বেউলা, ধন্য! ধন্য! আসাম জননী! জয়া বেউলা হেন সতীক তুমি গৰ্ভত ধাৰণ কৰি জগতবাসীৰ পূজনীয়া হৈছা।

বৰ্ত্তমান অম্বাগাওঁ মৌজাৰ ভিতৰত থকা কুণ্ডৰবিল চাহ বাগিছাৰ দাক্ষিণৰ ফালে, কিছু দূৰৈত সতী বেউলা দেবীৰ পিতৃ শাহেঃৰজাৰ নগৰ আছিল। এই নগৰৰ চিন থকা ঠাই ডোখৰ এতিয়া হাবি বননিৰে পূৰ্ণ।

শুনা যায় তাত বহুতো খোদিত মূৰ্ত্তিযুক্ত শিল আছিল, সেই শিল বিলাকৰ কিছুমান বাগিচাৰ কৰ্ত্তা সকলে নি বাগিছাৰ কামত ব্যৱহাৰ কৰিলে; বাকী কিছুমান অনন্ত কালৰ পৰা নগৰৰ ভিতৰেদি বৈ থকা কল্যাণী (কালিন্দ্ৰী) নদীৰ বালিয়ে পুতি চিনচাব নাইকিয়া কৰি পেলালে। নগৰৰ ভিতৰত নওটা নিৰ্ম্মল সলিলা প্ৰস্ৰবণ আছিল, তাৰে ছয়টিত ভূটিয়া বিলাকে গৰুৰ মাংস ধোৱাত বন্ধ হয় বাকী তিনটি এতিয়াও আছে।

শাহেই ৰজা বণিক বংশসম্ভূত আছিল বুলি পদ্ম-পুৰাণৰ অসমীয়া অনুবাদক সুকবি নাৰায়ণ দেৱে উক্তি কৰিছে। আমি যত শাহেই ৰজাৰ নগৰ বুলি কৈছোঁ তাৰ অন তদূৰত উত্তৰৰ ফালে কস্তুৰী, মৰাচগাই, চোৰাঁৰ চন্দন, ভেড়া আদি উৎপন্ন হোৱা পৰ্ব্বতৰাজি। এই পাৰ্ব্বত্য সমৃদ্ধিৰ বাণিজ্য সেই ঠাইৰ ধনী মানুহে এতিয়াও কৰে। পদ্ম পুৰাণোক্ত চান্দ সদাগৰলৈ চালে দেখা যায় যে চান্দই বাণিজ্য আৰু ৰাজ্য শাসন দুয়োটা কৰিছিল। সেইদৰে শাহেই ৰজায়ো বাণিজ্য আৰু ৰাজ্য শাসন দুয়োটা কৰিছিল। সম্ভৱতঃ এই পাৰ্ব্বত্য সমৃদ্ধিৰ বাণিজ্য শাহেইয়ে নিজ হাতত ৰাখিছিল। চান্দ আছিল জলবণিক শাহেই আছিল স্থলবণিক।

এনেস্থলত এই পাৰ্ব্বত্য সমৃদ্ধিজাত ৰাজ্যাধিপতি স্থলবণিক শাহেইৰ লগত বাণিজ্যৰ চেগবুজা জলবণিক

চান্দ সদাগৰে মিত্ৰতা সূত্ৰত আবদ্ধ হৈ বাণিজ্যৰ উন্নতি কৰিবলৈ বিচৰাতো খুব সম্ভব।

শাহেই ৰজাৰ নগৰৰ নাম আছিল উজনি, এতিয়াও মঙ্গলদইৰ মানুহে অম্বাগাওঁ হৰিশিঙা মৌজাৰ অঞ্চলক উজনি বোলে। মঙ্গলদই মানুহে উজনি বুলিলে সেই অঞ্চলকহে বুজে, পশ্চিমৰ উজ্জয়িনীক নুবুজে। তদুপৰি নাৰায়ণ দেৱে পদ্মপুৰাণত উল্লেখ কৰা শাহেই ৰজাৰ নগৰৰ নাম উজনি হে, উজ্জয়িনী নাছিল। নাৰায়ণ দেৱে তেওঁৰ ৰচনাত উজনি নগৰৰ বিষয় লিখিছে যে,—

চলে চান্দ সদাগৰ, উজনি নগৰ।
উত্তৰিয়া যায় সাধু বাণিয়াৰ ঘৰ॥
কত দূৰে চ'ল গৈলা ৰাজা চন্দ্ৰধৰ।
সমুখে দেখিলা গৈ তীৰ্থ মুক্তেশ্বৰ॥
পূবপাৰে বসিলেক ৰাজা চন্দ্ৰধৰ।
পশ্চিমপাৰে বেউলাই কৰে ব্যৱহাৰ॥

এই উজনিৰ মুক্তেশ্বৰ তীৰ্থ এতিয়াও আছে। নিশ্চয় এই উজনিয়ে শাহেই ৰজাৰ নগৰ আৰু বেউলাৰ জন্ম স্থান আছিল।

এই নগৰৰ পৰা দক্ষিণফালে প্ৰায় দুই মাইলমান আঁতৰত অম্বাগাওঁ মৌজাৰ ভিতৰতে এডুখৰি ঠাই আছে সেই ঠাইৰ মানুহে তাক বেউলাৰ বিয়াখলা বুলি কয়। বিয়াখলা বুলি কোৱা ঠাই ডোখৰৰ চাৰিওফালৰ মাটিত

তাৰ ওচৰৰ নব্য খৃষ্টান আৰু কাছাৰি পুৰণি অধিবাসী সকলে ভোগ কৰে; কিন্তু বিয়াখলা বোলা ঠাই ডোখৰত আজলৈকে খেতি বাতি একো নকৰি পতিত অৱস্থাতে ৰাখিছে। তেওঁলোকৰ বিশ্বাস যে, সেই মাটি আবাদ কৰিলে মানুহৰ মৃত্যু হব। আন কি তাৰ ভিতৰত সোমাই মানুহে গৰুও চৰাব নকৰে। খৰি খেৰ আহৰণ কৰা তাৰ ওচৰৰ মানুহ বিলাকে কয় যে সেই বিয়াখলাৰ ভিতৰত নওকুৰি নওজোৰা শিয়াৰ উধান এতিয়াও শাৰীকৈ পতা আছে। বেউলা দেবাৰ বিয়াত ব্ৰহ্ম ভোজন খোৱা ব্ৰাহ্মণৰ পাগ কৰা উদান বুলি তেওঁলোকৰ ভিতৰত জনশ্ৰুতি আছে।

সেই বিয়াখলাৰ ভিতৰত থকা অনেক সৰু নৰ গছৰ ভিতৰত আৰু এবিধ সৰু গছ আছে তাৰ গুটিবিলাক ঠিক চিৰাৰ নিচনা; সেই ঠাইৰ অধিবাসী সকলৰ বিশ্বাস যে, এইবিলাক গছ বেউলাৰ বিয়াত খোৱা চিৰাৰ পৰা জন্ম হৈছিল; এই কাৰণেই এই গছৰ গুটি চিৰাৰ নিচনা আৰু তাৰ নাম চিৰাগছ।

বিয়াখলাৰ নিচেই ওচৰতে এডোখৰ ওখ ঠাই আছে, তাৰ নাম ভুঁহৰবাৰ (বাৰ মানে ওখ ঠাই) এতিয়াও সেই বাৰত অলপ দকৈ খান্দিলে ভুঁহ পতানৰ নিচনা একবিধ বস্তু ওলায়। এই বিলাক বেউলাৰ বিয়াত বনা ধানৰ ভুঁহ বুলি তেওঁলোকে কয়।

বিয়াখলাৰ পৰা প্ৰায় আধা মাইল আঁতৰত ওপৰোক্ত নগৰ আৰু বিয়াখলাৰ মাজতে এখনি দেৱালয় আছে। দেৱালয় খনিৰ নাম মুক্তেশ্বৰী। প্ৰবাদ আছে এই দেৱালয়ৰ মন্দিৰ আদি এসময়ত শিলৰ আছিল, বৰ ভূমিকম্পত বাগৰি ওচৰেদি বৈ থকা নদীত পৰি পোট যায়। দেৱালয়ৰ নিচেই ওচৰেদি কল্যাণী (কালিঞ্জী) নামৰ নদী বৈ গৈছে। দেৱালয়খনি থকা ঠাই ডোখৰ বৰ ওখ অথচ নদীৰ ঘাটৰ নিচিনা এই ঘাটৰ নিচিনা ওপৰলৈ উঠা নমা কৰা ঠাই খিনিক ইয়াৰ মানুহে মুক্তেশ্বৰীৰ ঘাট বুলি কয়। কিম্বদন্তী প্ৰচলিত আছে আৰু নাৰায়ণ দেৱেও যে, এই মুক্তেশ্বৰী ঘাটতে সতী বেউলাক দেৱী পদ্মাৱতীয়ে বিধৱা বামুণীবেশেৰে বিধৱা হবলৈ শাপ দিছিল। এই মুক্তেশ্বৰী দেৱালয়ৰ খেৰি ঘৰত এতিয়াও ইয়াৰ মানুহে ৫।৭ দিনীয়াকৈ পদ্মা পূজা কৰে।

এই মুক্তেশ্বৰী দেৱালয়ৰ পৰা ১০০।১৫০টাৰ মান আঁতৰত ২০।২৫টাৰ মান আঁতৰা আঁতৰিকৈ সেই কল্যাণী নদীৰ পৰা ওপৰলৈ উঠা নমা কৰা ঘাট কিছুমান আছে। এইবিলাক চান্দ সদাগৰৰ ডিঙ্গা বন্ধা ঘাট বুলি তাৰ মানুহে কয়।

এই ঘাটৰ পৰা কিছুদূৰৈত বাউনাগড় নামে এটা প্ৰকাণ্ড গড় আছে। ৺দুৰ্গাবৰে তেওঁৰ ভাণৰ পদ্মপুৰাণত এই গড়ৰ পৰা বিয়াযাত্ৰী যাত্ৰা কৰা কথা লিখিছে।

যাত্ৰা কৰি লক্ষীন্দাৰ দেশে চলি যায় ।
ৰাওনা গড় মৈদামে গৈ চৌদোল ৰখাই ॥
বুলিবে লাগিলা বেউলা লখাইৰ গোচৰ ।
এইখন হাটিবাটি কাহাৰ নগৰ ॥
তুমিটো নাজানা বাপা বেকুলায়ে বালী ।
এইটো ৰাওনা গড় তাক যাইবো চাৰি ॥
সেই গড় হুবহু একে দৰেই আছে ।

অম্বাগাওঁ মৌজাৰ ভিতৰতে এই ঠাই বিলাকৰ পৰা অলপ দূৰৈত বাণিয়াপাৰা গাওঁ নামে এখনি গাওঁ আছে এই গাওঁৰ নামৰ পৰা অনুমান কৰিব পাৰি ইয়াত বাণীয়া জাতৰ মানুহ বাস কৰিছিল ! নাৰায়ণ দেৱে শাহেই আৰু চান্দ সদাগৰ দুয়ো জনকে বাণীয়া বুলি উল্লেখ কৰিছে । এই বাণীয়া গাওঁতে তেওঁ লোকৰ জাতিৰ বাণীয়া লোক সকল বাস কৰিছিল সেই বাবেই এই গাওঁৰ নাম বাণিয়াপাৰা হৈছে ।

এই ওপৰোক্ত বিৱৰণ বিলাকৰ পৰা প্ৰমাণ হয়যে বেউলাৰ জন্মস্থান এই মঙ্গলদৈতে আছিল । তাত বাদেও আৰু কিছুমান ঠাইৰ আৰু গাওঁৰ নামে মঙ্গলদৈতে যে সতী বেউলাৰ জন্ম হৈছিল, আৰু এই মঙ্গলদৈৰ পৰাই যে চান্দ সদাগৰে তেওঁৰ পুত্ৰ লক্ষীন্দাৰ কোৱঁৰলৈ বিয়া কৰাই নিছিল, আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে থকা চম্পালি নগৰৰ মেৰঘৰৰ পৰা মৃত পতিক ভেলত তুলি লৈ

গুঞ্জৰী সাগৰেদি উজাই আহি এই মঙ্গলদৈৰ ভিতৰেদিয়ে উজাই গৈ গোধাৰ পাকত পৰি, ত্ৰিবেণী ঘাটত নেতাক লগ ধৰি কৈলাশলৈ গৈ শিৱক তুষ্ট কৰি দেৱৰ পুৰীত গৈ মৃত পতিক জীৱ দান দিছিল তাৰ প্ৰমাণ দিয়ে।

মঙ্গলদৈৰ অন্তৰ্গত ডাহি, বয়নাকুছি, লোত্ৰাই আদি কেইখনমান মৌজাৰ ভিতৰেদি বহুকালৰ পূৰ্ব্বে বৈ যোৱা এটি মৰা নদীৰ চিন আছে। নদীটিৰ চিন থকা ঠাই বিলাকক তাৰ মানুহে না-ডিঙ্গা বোলে। এই না-ডিঙ্গা নদীৰ জন্মস্থান নিৰ্ণয় কৰা বৰ্ত্তমান কঠিন। কিয়নো না-ডিঙ্গা নদী মাজতে কিছুঠাই পোট গৈ মানুহৰ খেতিৰ পথাৰ হৈছে। এই মাজৰ ঠাই বিলাকত মানুহৰ বসতি অতি ঘন। কিন্তু কিছু দূৰৰ আগত দেখা যায় যে এটি কুকশা নদীৰ মৰা সুঁতি এবং না-ডিঙ্গা নদীৰ ফাললৈ মুখ কৰি তাহি পথাৰত পৰিণত হৈ মাৰ গৈছে। এই ঠাই সনাবাড়ী মৌজাৰ ভিতৰত। এই না-ডিঙ্গা নদী বৈ গৈ মিলন যোৱা ন নৈ নদী আকৌ কিছুদূৰ গৈ ঘাগৰা নামৰ নদীৰ মুখত বৰনদীৰ লগত মিলিছে। ন নৈ, ঘাগৰা আৰু বৰনদী তিনিওটি নদী মিল হোৱা ঠাইক তিনিনদীৰ মুখ বা তিনি সুঁতিৰ মুখ বোলে। এই তিনি সুঁতিৰ মুখৰ কিছুদূৰত ন নৈৰ পাৰত নেওপাৰা নামে এখন গাওঁ আছে। উপৰোক্ত তিনিও

নদী মিলি আকৌ বৰনদী নামেৰে গৈ ব্ৰহ্মপুত্ৰত পৰিছে। এই ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে থকা কামৰূপ জিলাৰ অন্তৰ্গত ছয়গাওঁৰ ভিতৰৰ চংকীয়া নামে ঠাইত লক্ষীন্দাৰৰ মেৰঘৰ আছিল বুলি প্ৰমাণ হৈছে। এই মেৰঘৰৰ ভিতৰতে পদ্মাৰ প্ৰেৰিত কালীনাগে লক্ষীন্দাৰ কোঁৱৰক দংশি মাৰিছিল। তাৰে পৰাই বেউলাই মৃত পতিক ভেলত তুলি কাঙ্কৰি সাগৰ বা কুকুৰমুৰা নদীৰে আহি ব্ৰহ্মপুত্ৰৰে (গুঞ্জৰী সাগৰ) উজাই আহি ত্ৰিবেণী ঘাট পায় নেতাক লগ ধৰি কৈলাশলৈ গৈ শিৱক লগ ধৰি দৰৱ পুৰীলৈ গৈ নাচোনেৰে শিৱক তুষ্ট কৰি মৃত পতিক জীৱদান দিছিল।

এতিয়া চোৱা যাওক ওপৰত উল্লেখ থকা পুৰাণৰ কথাৰ লগত এই ঠাই বিলাকৰ কি সম্বন্ধ আছে। না-ডিঙ্গা নামৰ নদীটোৰ পৰা এইটো অনুমান হয় যে, এই নদীত নাও আৰু ডিঙ্গা দুয়োটা চলিছিল। সেই বাবেই নদীৰ নাম না-ডিঙ্গা হৈছিল। ডিঙ্গাৰে বাণিজ্য কৰা কথা চান্দ সদাগৰৰ দিনত দেখা যায়। তাৰ আগতে ডিঙ্গাৰে বেপাৰ কৰা কথা পৌৰাণিক কৱি সকলে উল্লেখ কৰা কৈতো দেখা নাযায়। এই বাবে এই ঠাইৰ মানুহৰ মনত ডিঙ্গাৰ দৃশ্য নতুন লগাত নদীৰ নাম না-ডিঙ্গা দিয়া অনুমান হয়। আৰু এই না-ডিঙ্গা নদীৰে উজাই কুলশী নদীৰে গৈ কল্যাণী আৰু কুলশী নদীৰ মিলনৰ বাটেদি নাও উজাই কল্যাণী নদীৰে গৈ

শাহেই বজাৰ লগত বেপাৰ কৰা কথাও অনুমান কৰিলে ভুল নহব। এই দিনিতে কোৱা উচিত যে, কল্যাণী নদী কিছু দূৰ বৈ আহি ন নদীত পাৰিছে ন নদীৰ মৰা সুঁতিৰ লগত কুলশীৰ সম্বন্ধ থকা এতিয়াও কোনো কোনো ঠাইত দেখা যায়। বৰ্ত্তমান তিনি সুঁতিৰ মুখ বা তিন্ নদীৰ মুখ বা ঘাটকে যে সেই সময়ত ত্ৰিবেণী ঘাট বোলা হৈছিল এনে প্ৰমাণ হয়। ত্ৰিবেণীঘাট, ত্ৰীবণী ঘাট ত্ৰী নদী ঘাট তিন্নদী ঘাট তিন্নদী বা তিনসুঁতি। তিন্নদী মুখৰ ওচৰৰ নেতা পাৰাৰ নেতাক লগ পাইছিল বুলি ধৰিলেও অনুমান ভুল নহব। নেতাৰ বাসস্থান আছিল দেখি সেই ঠাইক নেতাপাৰা আজিও বোলে। নেতাৰ আচল ঘৰ আছিল কৈলাশত, কৈলাশত ঘৰ থাকলেও তাত গৈ ব্যৱসায়ৰ উন্নতিৰ কাৰণে কাপোৰ ধুব পাৰে। এতিয়াও গুৱাহাটীৰ ধুনী মজুদৈত থাকি কাপোৰ ধোৱে। উল্লেখ কৰিব পাৰিছোঁ এই না-ডিঙ্গা নদীৰ পাৰত এখনি চুবা আছে তাৰ নাম এতিয়াও গোধাপাৰা। গোধাপাৰাৰ ওচৰতে এচোখৰ ওখ ঠাই আছে তাৰ নাম গোধাৰবাৰ। বেউলাই মৃত পতিক লৈ উজাই আহোঁতে গোধাৰ পাকত পৰা কথা নাৰায়ণ দেৱে উল্লেখ কৰিছে। এই গোধাৰ ধৰিত বৰশী বাই থাকোঁতে উজাই অহা বেউলাক গোধাই লগ পাইছিল বুলি অনুমান হয়। উপৰোক্ত না-ডিঙ্গা

নদীৰে উজাই গৈ কুলশী নদীৰে যায় কুলশী নদীৰ জন্ম স্থান হিমালয়ৰে গৈ হিমালয়ৰ উচ্চ চূড়া কৈলাশ পাই দেৱৰ পুৰীত গৈ লক্ষীন্দাৰক জীৱাইছিল। সেই কালত হিমালয় প্ৰদেশ কেবা ভাগতো ভাগ আছিল। এক খণ্ডক স্বৰ্গ এক খণ্ডক কৈলাশ এক খণ্ডক দেৱৰপুৰ বোলা হৈছিল। দেৱৰ পুৰীত দেৱতা সকল, কৈলাশত শিৱ, আৰু স্বৰ্গত শিৱত কৈও শক্তি সম্পন্ন সম্পূৰ্ণ জ্ঞান বিশিষ্ট ঈশ্বৰ থকা বিশ্বাস হয়, আৰু পুৰাণকাৰ সকলেও তেনে বৰ্ণনাকে দিছে। স্বৰ্গ যে দৰঙৰ উত্তৰে আছিল দৰং শব্দই তাৰ সাক্ষী দিছে। দ্যো-ৰং, দৰং : দ্যো মানে স্বৰ্গ, ৰং মানে আনন্দ বা বিহাৰ স্থান। দৰং মানে স্বৰ্গৰ ৰংমহল। অতএব দৰং ( মঙ্গলদৈৰ ) উত্তৰে স্বৰ্গ, দেৱৰ পুৰী যে নিশ্চয় তাত অলপো সন্দেহ নাই। নাৰায়ণ দেৱে লিখিছে যে, বেউলাই লক্ষীন্দাৰক জীয়াই লৈ ভটিয়াই আহোঁতে পিতৃ গৃহত প্ৰবেশ কৰি আছে। এই কথাৰ পৰা নিশ্চয় কব পাৰি যে, মঙ্গলদৈৰ উত্তৰে থকা পৰ্ব্বতীয়া নদীৰ সুঁতিৰে আহি কল্যাণী নদীৰে ভটিয়াই পিতৃ শাহেইৰ নগৰ পাইছিলহি। নাৰায়ণ দেৱে আৰু এঠাইত উল্লেখ কৰিছে যে, বেউলা উজাই যাওঁতে তেওঁৰ দদায়েকহঁতৰ চকুত পৰি লজ্জিত হৈছিল। তাৰ পৰা অনুমান হয় যে বেপাৰলৈ অহা বেউলাৰ দদায়েকহঁতে বেউলা দেবীক মৃত পতিৰ সহিতে আহোঁতে এই নাওডিঙ্গা বা কুলশী

নদীৰ কোনো এঠাইত লগ পাইছিল কল্যাণী নদীৰ আৰু কুলশী নদীৰ মধ্যস্থিতিৰ সম্বন্ধ আছে বুলি পূৰ্ব্বেই কোৱা হৈছে। গতিকে এই কল্যাণীৰে ভটিয়াই গৈ কুলশীত পৰি তাৰে গৈ পূৰ্ব্বৰ উজাই অহা নং-ডিঙ্গা নদীত প'ৰ উজাই অহা বাটে বাটে ভটিয়াই গৈ পুনৰ চান্দ সদাগৰৰ নগৰ চম্পালা নগৰ পাইছিল গৈ।

আজি কালি মূল নথকা অনুমানৰ ওপৰত নিৰ্ভৰ কৰি, ধুবুৰীত থকা নেতাই ধুবুনীৰ ঘাটক যদি সেই কালৰ নেতাৰ কাপোৰ ধোৱা ঘাট বুলি কোৱা যায় তেন্তে ছয়গাঁওত থকা মেৰঘৰ চান্দৰ মেৰঘৰ নহয়। মেৰঘৰ তেতিয়া আৰু ভাটিলৈ যাব। এই নিমিত্তে ধুবুৰীৰ নেতাই ধুবুনীৰ ঘাট পদ্মপুৰাণৰ অন্তৰ্গত বেউলাই লক্ষীন্দাৰৰ শ লৈ গৈ লগ পোৱা নেতাৰ ঘাট নহয়। ধুবুৰীটো নেতাই কাপোৰ ধোৱা ঘাট থাকিব পাৰে, কিয়নো আমি পূৰ্ব্বেই কৈছোঁ যে, কৈলাশত থাকিও নেতাই নামনিৰ অনেক ঠাইত কাপোৰ ধোৱা সম্ভৱ। আজি কালিও একে ধৰ ধুবায়ে বহুতো চৰত থাকি কাপোৰ ধোৱা ব্যৱসায় চলায়।

বহুতেও অনুমান কৰে যে বৰ্ত্তমান উমানন্দই দেৱৰপুৰী আমাৰ বিশ্বাস উমানন্দ সেই বেউলাই লক্ষীন্দাৰক জ উৱা দেৱৰপুৰী নহয় ; কিয়নো বেউলাদেৱী লক্ষীন্দাৰৰ শ লৈ উজাই আহি জাৱাই নিওতে ছমাহ লাগিছিল।

ছয়গাওঁত থকা মেৰঘৰৰ পৰা উমানন্দলৈ উজাই আহোঁতে মহাশক্তি সম্পন্না সতী বেউলা দেৱীৰ ছমাহ লগাটো ভেনেই অসম্ভৱ। এতেকে আমি উল্লেখ কৰা হিমালয় প্ৰদেশৰ অন্তৰ্গত দৰঙ্গৰ উত্তৰে থকা দেৱৰ পুৰীহে পদ্মপুৰাণত লিখা দেৱৰপুৰী। উমানন্দৰ আন এটি নাম দেৱপুৰী হব পাৰে; কিয়নো তাত মহাদেৱ বাস কৰে। সেই বাবেই আমি উমানন্দক পদ্মপুৰাণৰ দেৱৰপুৰী বুলি নম।

আৰু এটি প্ৰমাণ পাঠকসকলৰ আগলৈ আগ বঢ়ালোঁ। বেউলাদেৱী দেৱৰপুৰীত গৈ নাচোনেৰে শিৱাদি দেৱতা সকলৰ মন তুষ্ট কৰি মৃত পতিক জীৱ দান দিছিল। এই ছোৱালী আৰু তিৰোতা নচা প্ৰথাটি এতিয়াও অথাগাওঁ হৰিশিঙাদি মঙ্গলদৈৰ উত্তৰ অঞ্চলে থকা মৌজাৰ কছাৰি জাতিৰ ছোৱালী ও তিৰোতাৰ ভিতৰত প্ৰচলিত আছে। গতিকে বেউলাদেৱীয়ো যে সেই ঠাইৰ দস্তুৰ মতে নাচিব জানিছিল তাত অলপো সন্দেহ নাই। কিম্বা বেউলাদেৱীৰে অনুকৰণ কৰি সেই ঠাইৰ অধিবাসী জাতি সকলৰ ভিতৰৰ তিৰোতা সমাজত আজিলৈও নচা প্ৰথা চলি আহিছে।

পাঠক! আৰু অন্য এটি প্ৰমাণৰ বিষয় আপোনাৰ আগত উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। সতী বেউলা পদ্মাভক্তা আছিল। পদ্মাক ভক্তিত তুষ্ট কৰিয়েই বেউলা সতীৰ তেজেৰে তেজোৱতী হৈছিল। সদায় শ্ৰেষ্ঠ

জনৰ আদৰ্শ মানুহে সহজে গ্ৰহণ কৰে। তাহাঁতকৈ সহজে আদৰ্শ গ্ৰহণ কৰে যদি আদৰ্শ লোকজন ওচৰ সম্বন্ধীয় হয়। মঙ্গলদৈৰ হিন্দু অধিবাসীৰ ভিতৰত শতকৰা ৯০ ঘৰ মানুহ পদ্মাভক্ত। প্ৰায় দুই এঘৰ মহাপুৰুষীয়া মানুহৰ বাদে আটাইবিলাক হিন্দুৰ ঘৰতে পদ্মাপূজা হয়। ভাৰতত হে নহয় আসামৰো কোনো ঠাইত ইমান পদ্মাপূজাৰ প্ৰচলন নাই। বোধকৰোঁ আজি কালি যি উজ্জয়িনীক বেউলাৰ জন্মস্থান বুলি অনুমান কৰিছে তাৰ মানুহে পদ্মাপূজা কি ভাব ভূকে নাপায়। আসামৰ ভিতৰতো পদ্মাপূজা নেদেখা অসমীয়া বহুত আছে। কিন্তু মঙ্গলদৈৰ মটা মাইকী লৰা ছোৱালী হিন্দু মুচলমান সকলোৰে ওচৰত পদ্মাদেৱী বেউলাৰ উপাস্য দেৱী বুলি পৰিচিত আৰু হিন্দুসকলৰ ভিতৰত পূজিত। তাৰ কাৰণ বেউলাদেৱী মঙ্গলদৈবাসীৰ ভেজে মগুহে লগা সম্বন্ধীয় লোক, তেওঁৰ চকুৰ আগত দেখা আদৰ্শ মঙ্গলদৈয়া মানুহে সহজে গ্ৰহণ কৰি সকলোৱে পদ্মা সেৱক হৈছিল আৰু এতিয়ালৈও হৈ আছে।

মঙ্গলদৈৰ অন্তৰ্গত দিপীলা মৌজাৰ ভিতৰত থকা পদ্মাদেৱালয় আৰু পুখুৰী এতিয়াও আছে। এতিয়াও উক্ত দেৱালয়ত বছৰি চাৰিওফালৰ হিন্দুবাইজে ৫।৭ দিনীয়াকৈ পদ্মা পূজা কৰে।

পদ্মা বেউলাত বিশ্বাস কৰি মন্ত্ৰ মাতি সৰ্পদংশনত

মৃত্যু হোৱা মানুহক জীৱদান কৰা বৈদ্য মঙ্গলদৈত এতিয়াও আছে। সৰ্পদংশনত মৃত্যু হোৱা অৱস্থাৰ পৰা মানুহ জীওৱা লিখকে নিজে দেখিছে। সেই সৰ্পবৈদ্য সকল এতিয়াও আছে।

এই ওপৰোক্ত প্ৰমাণ বিলাকৰ পৰা নিশ্চয়কৈ কব পাৰি যে, জগত পূজ্যা, আদৰ্শ সতী পতিপ্ৰাণা বেউলা দেবীৰ জন্মভূমি, নিশ্চয় এই মঙ্গলদৈ।

ইয়াৰ পিচত আৰু এটি কিম্বদন্তী মূলক আখ্যানেৰে এখনি দেৱালয়ৰ বিষয় পাঠক সকলৰ আগত ডাঙ্গি ধৰিবলৈ আগ বাঢ়িলোঁ। এই আখ্যানটি লিখকৰ স্বৰ্গীয় পিতা ৺দেওৰাম শৰ্ম্মা ব্যাস দেৱৰ মুখে সকৃত শুনিছিলোঁ। তেখেত সেই উক্ত দেৱালয়ৰ দেৱা পূজাৰ সময়ত দেৱা মাহাত্ম্য মালাঞ্চ সুৰেৰে গান কৰা ব্যাস গায়ক আছিল। সেই সময়ত সেই ঠাইৰ পূজাৰ কৰ্ত্তা সকলৰ মুখে তেওঁ শুনিছিল বুলি লিখকৰ আগত কৈছিল। এই আখ্যানপূৰ্ণ দেৱালয়খনিৰ নাম কুকুৰাকাটা। ই খৈৰাবাড়ী আৰু টাংলা ৰেল ষ্টেচন মাজৰ ৰেলৰ আলিৰ পৰা অলপ দূৰত অৱস্থিত। এই দেৱালয় খনিৰ নাম অনুসৰি সেই ঠাইৰ নাম কুকুৰাকাটা হৈছে। এতিয়া দেৱালয়ৰ ওচৰৰ ঠাই হাবি জঙ্গলৰে পৰিপূৰ্ণ। দেৱালয়ৰ মঠ আদি কালৰ সোঁতত প্ৰকৃতিৰ তাণ্ডৱলীলাত লীন গৈছে। মাথোন দেৱালয়ৰ চাৰিওফালৰ বেৰৰ

পকী দেৱালে নাম মাত্ৰ পূৰ্ব্বৰ স্মৃতিৰ সাক্ষী দি আছে। এতিয়া ভাত থকা যেদীৰ ওপৰত খেৰি ঘৰৰ ভিতৰত বছৰি সামান্য ধৰণে দুৰ্গোৎসৱ পূজা হয়। দেৱালয় খনিৰ নাম কুকুৰাকাটা কিয় হ'ল সেই সম্বন্ধে এই আখ্যানটি। আখ্যানটি এই, প্ৰাগ্‌জ্যোতিষাধিপতি নৰকাসুৰে এদিন কামাখ্যা দৰশন কৰিবলৈ গৈ আই কামাখ্যা'ৰ ভুৱনমোহিনী ৰূপ দেখা পালে। ভোগমুখৰ পুত্ৰ নৰক [illegible] দেবী কামাখ্যাৰ অপৰূপ ৰূপ-লাৱণ্য দেখি ভগৱতী কামাখ্যাক পত্নীভাৱে পাবলৈ মন মেলিলে। শেষত মোহাভিভূত হৈ নৰকে কামাখ্যাৰ ওচৰলৈ বিয়াৰ প্ৰস্তাৱ কৰি দূত পঠালে। কামাখ্যায় দূতৰ মুখে নৰকৰ প্ৰস্তাৱ শুনি প্ৰমাদ গণিলে। শেষত অনন্যোপায় হৈ নৰকলৈ সমধান পঠালে যে,, যদি নৰকে এক ৰাতিৰ ভিতৰতে ব্ৰহ্মপুত্ৰৰ ওপৰেদি শিলৰ সাঁকো এখন দি নীলাচলৰ পৰা কৈলাশলৈ যাব পৰা সুবিধা কৰি দিব পাৰে, তেন্তে তেওঁ নৰকৰ পত্নী হোৱাত সম্মত। কিন্তু সেই সাঁকো দিয়া কাম আজি ৰাতিৰ ভিতৰতে শেষ কৰা উচিত নতু তেওঁৰ মনৰ ভাৱ পৰিবৰ্ত্তন হব পাৰে। দূতৰ মুখত নৰকে দেৱীৰ এই সমিধান শুনি পৰম আনন্দিত হৈ সন্ধ্যা সময়ৰ পৰা সাঁকো সজা কাম আৰম্ভ কৰালে। নৰক নিজে তাত উপস্থিত থাকি শিল্পী সকলক পৰিচালনা কৰিব ধৰিলে।

আই কামাখ্যায় দেখিলে যে, নৰকে ৰাতিৰ ভিতৰতে সাঁকোৰ কাম শেষ কৰিব। কালি ৰাতি পুৱাই তেওঁ নৰকাসুৰৰ পত্নী হ'ব লাগিব। দেৱীয়ে ভাবি চিন্তি নৰকৰ কামত বিঘিনি ঘটাবলৈ তেওঁৰ প্ৰধান সহচৰী ভৈৰৱী এগৰাকীক পঠালে। ভৈৰৱীয়ে গৈ ৰাতি নৌপুৱাওঁতেই কুকুৰা ৰূপ ধৰি নৰকৰ আগত কুকুৰাৰ দৰে চিঞৰি ৰাতিপুৱাৰ নিদৰ্শন দিলে। কুকুৰাৰ অন্যায় আচৰণ দেখি নৰকৰ খংউঠি কুকুৰাক কাটিবলৈ খেদা ল'লে। কুকুৰা উৰিউৰি পলায় নৰকৰ আগে আগে যাবলৈ ধৰিলে। নৰক কুকুৰাৰ মায়াত ভোল গ'ল। শেষত উৰোঁতে উৰোঁতে কুকুৰাবো ভাগৰ লাগিল। ইফালে ৰাতিও প্ৰভাত হৈ আহিল। এনেতে নৰকে কুকুৰাটো বৰ্ত্তমান য'ত কুকুৰাকাটা দেৱালয় আছে তাতে খণ্ডখণ্ড কৰিলে। নৰকে কুকুৰাৰ মায়াত পৰি নিজৰ প্ৰতিজ্ঞা ৰক্ষা কৰিব নোৱাৰা বাবে লজ্জিত হৈ কামাখ্যাৰ ওচৰত ক্ষমা মাগিলে। দেৱী তুষ্ট হৈ নৰকৰ দ্বাৰা তাতে এটি মন্দিৰ বান্ধি তাত তেওঁৰ পূজা কৰিবলৈ আদেশ দি ক্ষমা কৰিলে। দেৱীৰ আদেশ মতে নৰকে সেই কুকুৰাকাটা ঠাইতে মন্দিৰ বান্ধি কামাখ্যাৰ পূজা কৰি'ল। তেতিয়াৰ পৰা এই কুকুৰাকাটা দেৱালয় হ'ল আৰু তাত এতিয়ালৈ দুৰ্গোৎসৱপূজা চলি আহিছে। এই মন্দিৰকে কোচ ৰজা সকলে সংস্কাৰ কৰি দেৱোত্তৰ মাটি দান কৰি পূজা চলি থাকিবলৈ সুবিধা দিছিল। এয়ে কুকুৰাকাটা দেৱালয়ৰ

আখ্যান। তাতে আজি এখনি দেবালয় আছে তাৰ নাম মুৰাদেৱৰ। মুৰাদেৱৰ দেবালয় সম্বন্ধে আসামৰ সুপ্ৰসিদ্ধ প্ৰত্নতাত্বিক শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামীদেৱে পঞ্চম বছৰৰ একাদশ সংখ্যা আবাহনত এটি প্ৰবন্ধ প্ৰকাশ কৰিছে। তাত তেখেতে সেই দেবালয় সম্বন্ধে যি কিম্বদন্তী প্ৰকাশ কৰিছে তাত বাদেও আন এটি কিম্বদন্তী মঙ্গলদৈ জনসমাজত প্ৰচলিত আছে কিম্বদন্তী আছে যে, কামাখ্যা পীঠৰ কেন্দুকলাই নামে এজন পুজাৰী আছিল কেন্দুকলায়ে দেবীক পূজা কৰি তুষ্ট কৰি দেবীৰ স্বৰূপ দৰ্শন কৰিবলৈ সমৰ্থ হৈছিল; কিন্তু এইকথা কেন্দুকলাইত বাদে আনে কোনো দেবীৰ মানা আছিল। কেন্দুকলায়ে কিন্তু মনস্থিৰ কৰে সামৰিব নোৱাৰি এই কথা মহাৰাজ নৰনাৰায়ণ, ও তেওঁৰ ভায়েক চিলাৰায়ৰ আগত প্ৰকাশ কৰে। তেতিয়া নৰনাৰায়ণ চিলাৰায়ৰ দেবীৰ ৰূপ চাবলৈ বৰ ইচ্ছা হল আৰু তেওঁ কলাইৰ কথা মতে তেওঁলোক আঁৰত লুকাই থৈ দেবীৰ ৰূপ দৰ্শন পাবলৈ পূজা আৰম্ভ কৰিলে। দেবীৰ হাক নমনা বাবে দেবী কলাইৰ কাৰ্য্যত অসন্তুষ্ট হৈ সাপ দিলে যে কলাইৰ শিৰচ্ছেদ হওক আৰু নৰনাৰায়ণ চিলাৰায় পীঠ দৰ্শন কৰিবলৈ আহিলে তেওঁলোকৰ বংশ নাশ হওক। তেতিয়া তেওঁলোকে দেবীক বহুতো স্তুতি কৰাত তেওঁলোকে দৰ্শন কৰিব পাৰিব কিন্তু তেওঁলোকৰ বংশধৰ সকলে কৰিলেহে বংশ নাশ

হয় বুলি শাপ দিলে। নৰনাৰায়ণ চিলাৰায়ে তেওঁলোকৰ প্ৰিয় পূজাৰীৰ নাম চিৰস্মৰণীয়কৈ ৰাখিবৰ কাৰণে কলাইৰ জন্মস্থানত এটি দেৱীমন্দিৰ স্থাপন কৰিলে আৰু দেৱীৰ শাপত কলাইৰ মূৰ ছিঙাৰ চিন ৰাখিবলৈ উক্ত দেৱালয়ৰ মূৰটি নোহোৱাকৈ মন্দিৰ নিৰ্ম্মাণ কৰালে। এই কাৰণে এই মন্দিৰৰ নাম মূৰ-দেৱৰ বা মূৰাদেৱালয় হল। শুনা যায় এতিয়া চিলাৰায়ৰ বংশধৰ দৰঙ্গীৰাজকোৱঁৰ সকলে এই কিম্বদন্তীৰ ওপৰতে বিশ্বাস কৰি [illegible] [illegible] নকৰে। কেন্দুকলাইৰ নাম [illegible] [illegible] নাম কালাগাওঁ হয়। [illegible] আশ্ৰমত।

(

[illegible] পৰিপূৰ্ণ যুগৰ পিচৰ যুগত [illegible] [illegible] আদি বংশৰ ৰজাই ৰাজত্ব কৰা প্ৰমাণ পোৱা [illegible] বৰ্ত্তমান বৰনাকুছি মৌজাৰ [illegible] [illegible] গাওঁত জয়পাল নামে এটা ডাঙৰ পুখুৰ [illegible] [illegible] পানী এতিয়াও মানুহৰ ব্যৱহাৰৰ উপযোগী হৈ আছে। কিন্তু যদি সোণকালে পুখুৰী সংস্কৰণ কৰা নহয় তেন্তে পানী বেয়া হব আৰু এই পুৰণি কীৰ্ত্তি চিন চিৰকাললৈ লোপ পাব। আজি প্ৰায় ২০।২৫ বছৰ মানৰ পূৰ্ব্বে বৰনাকুছিৰ মৌজা-দাৰ আৰু দিদাৰুদ্দিন বড়া অহিচলদাৰ ডাকৰীয়াই এই

পুখুৰী সংস্কাৰ কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু সংস্কৰণৰ কাৰ্য্য সম্পন্ন কৰিবলৈ সমৰ্থ নহ'ল। তেতিয়া মানুহে দেখিছিল যে, এই পুখুৰীৰ ভিতৰত এটা ইটাৰ পকি গড় আছে। ইটা বিলাক বহুকালৰ পুৰণি ইটাৰ ধৰণৰ। এই পুখুৰীৰ নামেই পৰিচয় দিছে যে, ই পাল বংশী ৰজাৰ সুকীৰ্ত্তি। অসমত পাল বংশী ৰজাই ৰাজত্ব কৰিব প্ৰায় ১২০০ মান বছৰ হ'ল। পাল বংশী ৪ৰ্থ ৰজা সুৰপালে তেওঁৰ পিতৃৰ নাম জয়পাল যুগমীয়াকৈ ৰাখিবৰ কাৰণে এই পুখুৰী খণ্ডায়। এই পুখুৰীৰ পৰা প্ৰায় আধা মাইল দক্ষিণে লিখকৰ নিচেই ঘৰৰ ওচৰতে এটি আলি চিন থকা ঠাই আছে; তাৰ নাম জয়ৰ আলি। সম্ভৱতঃ এই জয়ৰ আলিও পাল বংশী সুৰপাল ৰজায়ে বন্ধোৱা। এই আলিৰ পৰা প্ৰায় ১০০টাৰ মান আতৰত এটা ডাঙৰ পিটনি পুখুৰী আছে। পুখুৰীৰ নাম দেৱৰাজ, দেৱৰাজ পুখুৰীৰ পাৰৰ পৰাই সংলগ্ন থকা এডোখৰ বৰ ওখ ঠাই আছে তাৰ নাম ঝাৰৰবড়ি। এই ঝাৰৰবড়িত ৰজাৰ নগৰ আছিল বুলি এতিয়াও কিম্বদন্তী আছে। সেই নগৰ বুলি কোৱা ঠাইত টকাৰ ঘাগৰি দেখা মানুহ এতিয়াও বহুত জীয়াই আছে। এই ঝাৰৰবড়ি জয়ৰবাড়ীৰ অপভ্ৰংশ নাম হব পাৰে। জয়ৰবড়ি, ঝয়ৰবৰি, ঝাৰৰবড়ি। অনুমান হয় ইয়াতে জয়পালৰ নাম অনুসাৰে এখনি নগৰ আছিল।

কিম্বা জয়পালেই নগৰ পাতি বাস কৰিছিল।

এই ঠাইৰ পৰা প্ৰায় আধা মাইল আঁতৰত বলদেৱ নামে আৰু এটি বৰ ডাঙৰ পুখুৰী আছে। পুখুৰীটোৰ কালি পৰিমাণ ১২ পুৰা মান হব। পুখুৰীটোৰ নামৰ পৰা নিশ্চয়কৈ জনা যায় যে বলবৰ্ম্মদেৱ ৰজাই এই পুখুৰী খণ্ডাইছিল। আগতে উল্লেখ কৰা দেৱৰাজ নামৰ পুখুৰীও বলবৰ্ম্মদেৱ ৰজাই খনোৱা বুলি নিশ্চিত অনুমান হয়। কিয়নো বলবৰ্ম্মদেৱ ৰজা এই নামৰ পৰা গৈ বলবৰ্ম্ম লোপ হৈ দেৱৰাজ শব্দ আছে গৈ।

জয়পাল পুখুৰীৰ পৰা ৪ মাইলমান আঁতৰত সৰাবাড়ী মৌজাৰ ভিতৰত বৰমপুৰ নামে এটা বৰ প্ৰকাণ্ড পুখুৰী আছিল। পুখুৰীৰ মাটি কালি আছিল ১০১/১ দোদ্ধা। আজি মাথোন ১০।১২ বছৰমানৰ পূৰ্ব্বে এই পুখুৰী ন নৈ নদীয়ে পুতি পেলালে এতিয়া হ বাকৰিত পৰিণত হৈছে। পুখুৰীৰ ওচৰতে এখন গাওঁ আছে তাৰ নাম বৰমপুৰ। বৰমপুৰ ব্ৰহ্মপুৰ নামৰ অপভ্ৰংশ বুলি অনুমান হয়। পালবংশী ব্ৰহ্মপালে যে ইয়াতে ব্ৰহ্মপুৰ নামে নগৰ পাতি পুখুৰী খণ্ডাইছিল এনে অনুমান কৰিব পাৰি।

এই সৰাবাৰী মৌজাৰ ভিতৰতে আৰু এটি পুখুৰী আছে তাৰ নাম গোৰাকাটা। পুখুৰী খান্দোতে ঋষিৰ গোৰাকাটা গৈছিল দেখি এই পুখুৰীৰ নাম গোৰাকাটা হয় বুলি ইয়াত কিম্বদন্তী আছে। কিম্বদন্তী আছে যে

যেন্তিয়া পুখুৰী খান্দে তেতিয়া এই পুখুৰী খন্দা ঠাইত এজন ঋষিয়ে [illegible] সমাধিস্থ হৈ ভৰি কৰি তপস্যা কৰি থকা পুখুৰী খ[illegible] মানুহবোৰে পাইছিল। পুখুৰী খান্দোতে যেতিয়া ঋ[illegible] তেতিয়া তেওঁৰ তপ ভঙ্গ হল। সমাধি ভঙ্গ [illegible] সুধিলে যে, "ৰাম বন্‌মে আয়া?" মানুহবোৰে ক[illegible] নোৱাৰিলে। আৰু ঋষি উত্তৰৰ কালে [illegible] দৃশ্য হ'ল। এই কিম্বদন্তী শুনিলে [illegible] বিপৰীত কৰণী মুদ্ৰাৰ মাহাত্ম্যলৈ মন পৰে।

এই গোৱালপাৰা [illegible] মাইলমান দূৰৈত কালাইগাওঁ মৌজাৰ ভিতৰত [illegible] নগৰ নামে এটা ডাঙৰ পুখুৰী আছে। পুখুৰীৰ পানী এতিয়ালৈ মানুহৰ ব্যৱহাৰৰ উপযোগী হৈ আছে। এই পুখুৰীৰ পানীৰ নিৰ্ম্মলতা দেখি ভূতপূৰ্ব মঙ্গলদৈ শিক্ষা বিভাগৰ ডেপুটি ইনস্পেক্টৰ শ্ৰীযুত লক্ষ্মীনাথ শৰ্ম্মা দেৱে এই পুখুৰীৰ পাৰত এখন স্কুল আৰু এটি বৈশাগী দোল পাতি দি গৈছে। এই পুখুৰী সম্বন্ধে জনসমাজত প্ৰচলিত থকা কিম্বদন্তীৰ পৰা জনা যায় যে, এই পুখুৰী জিতাৰীবংশী আৰিমত্ত ৰজাই খন্দাইছিল। কিম্বদন্তী এই জিতাৰীবংশী ৰামচন্দ্ৰ ৰজাই তেওঁৰ ৰবকুঁৱৰীৰ চৰিত্ৰত সন্দেহ কৰি সগৰ্ভা অৱস্থাত ব্ৰহ্মপুত্ৰত অৰ্পণ কৰে। ৰাণী উটি যাওঁতে লক্ষা নামেৰে এজন বামুণে পায় তেওঁক তুলি আনে। লক্ষাৰ ঘৰ

এই ঠাইতে আছিল। লক্ষীৰ ঘৰত আহি কালত ৰাণীয়ে এটি পুত্ৰ সন্তান প্ৰসব কৰে। পুত্ৰটি সকৰ পৰা বৰ বাহুবলী আৰু আৰিমত্ত'ৰ জিতি কৰা আছিল দেখি আৰিমত্ত বুলিছিল। লৰাটি ডাঙৰ হৈ নিজ বাহুবলেৰে সেই ঠাইৰ তলতীয়া সকলো ৰজাকে জিনি ডাঙৰ ৰজা হ'ল। শেষত তেওঁৰ ৰাজ্যবিস্তাৰৰ বাবে পূব দেশলৈ গমন কৰিলে, আৰু পূব দেশৰ ৰজাৰ লগত যুদ্ধ কৰি ৰজাক বধ কৰি বিজয়ৰ চিন মাতৃক দেখুৱাবলৈ পূব দেশৰ ৰজাৰ মূৰটো কাটি লৈ আহিল। মূৰ আনি মাকক দেখুৱালত মাকে তেওঁৰ পতিৰ মূৰ বুলি চিনি পাই কান্দিব ধৰিলে আৰু পিতৃবধী বুলি পুতেক আৰিমত্তক ভৎসনা কৰিলে। পিতৃৰাজ্যৰ পৰা মানুহে গৈ তেওঁক সিংহাসনত বহুৱাবলৈ লৈ আহিল। আৰিমত্ত আহি ৰজা হৈ মাকক তেওঁৰ ৰাজধানীলৈ আনিবলৈ বহুত চেষ্টা কৰিলে; কিন্তু পূৰ্ব্বতে পতিৰ পৰা ত্যাগ হোৱা দুখত তেওঁ পুনৰ ৰাজধানীলৈ ঘূৰি নাহিল।

তেতিয়া ৰজা আৰিমত্তই বুঢ়া মাকক থাকিবলৈ এতিয়া য'ত বুঢ়ীনগৰ পুখুৰী আছে তাতে নগৰ পাতি দিলে। এতিয়াও এই পুখুৰীৰ পৰা অলপ দূৰৈত নগৰৰ চিন থকা দেখা যায় বুলি কয়। এই আখ্যানৰ পৰা সুন্দৰকৈ জনা যায় যে এই বুঢ়ানগৰ পুখুৰী জিতাৰীবংশী আৰিমত্ত ৰজাই খন্দোৱা।

এই পুখুৰীৰ পৰা অলপ দূৰৈত লক্ষীপুৰ পুখুৰী। এই পুখুৰীৰ কাষত এটা নগৰৰ গড়ৰ চিন চাব আছে। এই ঠাইত আরিমত্তৰ মাকক পালন কৰা লক্ষী বামুনক নগৰ পাতি দিয়া অনুমান হয়। আৰু সেই লক্ষীপুৰ নগৰৰ নাম মতে এই পুখুৰীৰ নাম লক্ষীপুৰ হয়।

কালাইগাওঁ মৌজাৰ ভিতৰত চৰণধৰা নামে গাওঁত ভূৰাৰগড় নামে এটা বৰ ওখ ডাঙৰ গড় আছে। ভূঞা শব্দৰ পৰা যে ভূৰা হৈছে তাত অলপো সন্দেহ নাই। ভূঞা, ভূৰা প্ৰায় একে নিচিনা উচ্চাৰণ। এই ভূঞাৰগড় ভূঞাবংশী ৰজা সকলে বন্ধোৱা হয় বুলি প্ৰমাণ দিবলৈ আৰু যুক্তিৰ আৱশ্যক নহব।

দাহা মৌজাৰ ভিতৰত জলজলি আৰু দীঘী নামে দুটা বৰ ডাঙৰ পুখুৰী আছে। দীঘী পুখুৰী সম্বন্ধে ৺ৰতিৰাম দত্ত আৰু ৺হৰনাৰাম দাসে প্ৰকাশ কৰা শিয়ালা বৈষ্ণৱৰ চৰিত্ৰত বিষদ ৰূপে বৰ্ণোৱা আছে। সম্বৎসৰ ভূঞা বৈষ্ণৱৰ আন এটি নাম শিয়ালা বৈষ্ণৱ। এওঁ জাতিত ব্ৰাহ্মণ আছিল। শিয়ালা বৈষ্ণৱৰ পিতৃ ধৰ্ম্মদেৱ গোস্বামীয়ে এই দীঘীৰ পুখুৰী খণ্ডাই। এই জন গোস্বামী ভূঞাই বৰাবাড়ীত ধৰ্ম্মদোল বান্ধে। এতিয়া মঙ্গলদৈৰ মানুহে বহাগৰ ১লা তাৰিখে এই ধৰ্ম্মদোল ... চাবলৈ যায়। ইত্যাদি বিষয় উক্ত

বৈষ্ণৱ চৰিত্ৰত ভালকৈ বৰ্ণোৱা আছে ।

( ৫ )

ওপৰত বৰ্ণনা কৰা স্মৃতি বিজড়িত কাল ডোখৰৰ পিচত মঙ্গলদৈত কোচবংশী নৰনাৰায়ণ ৰজাই ৰাজত্ব কৰে । আসামবুৰঞ্জী দৰঙ্গী ৰাজ বংশাৱলী আদিয়ে তাৰ বিশেষ প্ৰমাণ দিয়ে । মঙ্গদৈৰ ওপৰেদি যোৱা গোহাঁই কমলাৰ আলিৰ কাষত থকা বৌটা, ভৈৰৱকুণ্ড, নলখামৰা মঠ আদিৰ বিষয়ে তাক প্ৰমাণ দিছে । আহোম ৰাজা আক্ৰমণ কৰিবলৈ যাওঁতে এই বৌটাৰ ৰবিত চিলাৰায়ে বাহৰ কৰি আছিল , ভৈৰৱাকুণ্ড আৰু নলখামৰাত মঠ পাতি ভোগধনীক বহুত মাটি পুজা সেৱাৰ কাৰণে দান কৰিছিল । চিনাকোনা গাওঁ চিনাকোনীয়া ব্ৰাহ্মণক নৰনাৰায়ণ ৰজাই দান কৰিছিল । চিনাকোনা গাওঁ বৰ্ত্তমান চিনাকোনা মৌজাৰ ভিতৰত ।

নৰনাৰায়ণ ৰজাৰ মৃত্যুৰ পিচত তেওঁৰ ভ্ৰাতৃপুত্ৰ ৰঘুৰায়ে এই মঙ্গলদৈ ৰাজত্ব কৰে । ৰঘুৰায়ৰ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰ পৰীক্ষিতনাৰায়ণে মঙ্গলদৈৰ অন্তৰ্গত মোহনপুৰত ৰাজধানী পাতি নিগাজীকৈ ৰাজত্ব কৰে । পৰীক্ষিত নাৰায়ণৰ জীয়েক মঙ্গলাদেৱীৰ নাম মতে এই ঠাইৰ নাম মঙ্গলদৈ হয় । পৰীক্ষিতনাৰায়ণে জীয়েক মঙ্গলদৈক আহোম ৰজা স্বৰ্গদেৱ প্ৰতাপসিংহলৈ বিয়া দি আহোম ৰজাৰ লগত মিত্ৰতা সূত্ৰত আবদ্ধ হয় ।

পৰীক্ষিতনাৰায়ণৰ লগত নৰনাৰায়ণৰ পুত্ৰ লক্ষ্মীনাৰায়ণৰ বিবাদ হয় আৰু দিল্লীৰ বাদছাহৰ তলতীয়া স্বীকাৰ কৰি মুছলমানৰ দ্বাৰাই দৰংৰাজ্য আক্ৰমণ কৰায়। পৰীক্ষিতনাৰায়ণ আৰু মুছলমানৰ ভিতৰত হোৱা যুদ্ধত পৰীক্ষিত হাৰে আৰু মুছলমানৰ হাতত বন্দী হৈ দিল্লীলৈ স্থানান্তৰ হয়। পৰীক্ষিতনাৰায়ণৰ পুত্ৰ বলিতনাৰায়ণ সেই সময়ত ৰাজধানী মোহনপুৰত আছিল। পিতৃবন্দী হোৱা সম্বাদ পায় তেওঁ আহোম ৰাজ্যলৈ গৈ বৈণায়েক ৰজা স্বৰ্গদেৱ প্ৰতাপসিংহৰ সহায় লয়। প্ৰতাপসিংহে তেওঁক সহায় দান কৰি মুছলমানৰ লগত যুদ্ধকৰি মুছলমানক খেদুৱাই শহুৰেক পৰীক্ষিতনাৰায়ণক মুক্ত কৰে। পৰীক্ষিতনাৰায়ণ কিন্তু ৰাজ্যলৈ পুনৰ উভতি নাহি তীৰ্থ পৰ্য্যটন কৰি গৈ প্ৰয়াগত স্বৰ্গী হয়।

পৰীক্ষিতনাৰায়ণৰ মৃত্যুৰ পিচত তেওঁৰ পুতেক বলিতনাৰায়ণে ধৰ্ম্মনাৰায়ণ নাম লৈ দৰঙ্গৰ ৰাজধানী মোহনপুৰৰ ৰাজপাটত উঠে। ধৰ্ম্মনাৰায়ণ ৰজা হোৱাৰ পূৰ্ব্বে এবছৰ কাল দেশত ৰজা নোহোৱাকৈ আছিল। অথচ পৰাক্ৰমী মুছলমানৰ লগত দেশৰ সকলো বিষয়া যুদ্ধত লিপ্ত আছিল। তথাপি দেশত কোনো অশান্তিয়ে দেখা দিয়া নাছিল। ইয়াৰ পৰা বুজা যায়, দৰঙ্গীৰজাৰ প্ৰজাশাসন বেনে শান্তিজনক আছিল।

ধৰ্ম্মনাৰায়ণৰ ৰাজত্ব কাল ডোখৰতে দৰংৰাজ্যৰ বিশেষ

উন্নতি হয়। বজা ধৰ্ম্মনাৰায়ণ বৰ বিদ্যোৎসাহী ধাৰ্ম্মিক নৃপতি আছিল। এই বাবেও তেওঁৰ নাম ধৰ্ম্মনাৰায়ণ আছিল বুলি কয়। ধৰ্ম্মনাৰায়ণ তেওঁৰ ৰাজধানী মোহন-পুৰত মহাৰাজ বিক্রমাদিত্যৰ আৰ্হিৰে নবৰত্ন সভা পাতিছিল। পীতাম্বৰ সিদ্ধান্তবাগীশ, কবি ৰামসৰস্বতী, বৈদ্যকবি জলতত্ত্ববিদ পণ্ডিত চন্দ্ৰশেখৰ সাগৰখড়ি, জ্যোতিষী কবি বিদ্যাবল্লভ মহাজন সুৰ্য্যখড়ি, ব্যাস সৰ্ব্বানন্দ, দ্বিজনৰসিংহ, বেদজ্ঞা, সাধন শক্তিসম্পন্না বিদুষী মহিলা পাৰিজাতী ব্যাসনী সুকৰাৰ নাৰায়ণদেৱ, আদি পণ্ডিত সকলৰ দ্বাৰা তেওঁৰ ৰাজ সভাৰ শোভাবৰ্দ্ধন কৰিছিল। এইজন মহাধৰ্ম্মিষ্ঠ ৰজাই বহুতো মাটি-বাৰী নানকাৰ, দেৱোত্তৰ, ব্ৰহ্মোত্তৰ, নিস্পখেৰাজ আদি দান কৰি বেদজ্ঞ ব্ৰাহ্মণ আৰু আত্মজ্ঞ বৈষ্ণৱসকলৰ দ্বাৰাই বহুতো সত্ৰ পাতিছিল। মাহাৰিপাৰাৰ ৰুদ্ৰেশ্বৰ দেৱালয় আৰু খৈৰাবাৰী ষ্টেচনৰ ওচৰত থকা তাম্ৰেশ্বৰ দেৱালয় এই সময়তে স্থাপন হোৱা বুলি অনুমান হয়। সত্ৰাবলাকৰ ভিতৰত খটৰা, বিশ্বাসত্ৰ, হৰিপুৰ, বৈৰাগী, ৰামাণ্ড, চিন্তামণি, ভৱদেৱ, দেৱানন্দ আদি।

**খটৰা**—দিপীলা মৌজাৰ ভিতৰত খটৰা নামে গাওঁত। মাধৱদেৱৰ প্ৰধান শিষ্য ৺গোবিন্দ আতৈয়ে এই সত্ৰ স্থাপন কৰে। এই সত্ৰ মহাপুৰুষীয়া সম্প্ৰদায়ৰ। দিপীলা মৌজাদাৰ শ্ৰীযুত কৃষ্ণকান্ত মহন্ত সত্ৰৰ স্থাপন কৰ্ত্তা

৺গোবিন্দ আতৈৰ বংশধৰ বুলি পৰিচয় দিয়ে।

**বিশ্বাসত্ৰ**— হিন্দুবোপা মৌজাৰ ভিতৰত। এই সত্ৰৰ বিশেষত্ব এইটোৱে যে, সত্ৰৰ স্থাপিত বিগ্ৰহ দেৱীমূৰ্ত্তি। মঙ্গলদৈৰ আনসত্ৰত দেৱীবিগ্ৰহ নাই। ওপৰত উল্লেখ কৰা থটৰা সত্ৰত মহাপুৰুষীয়া হলেও ৰাম লক্ষ্মণ সীতা হনুমান লবকুশৰ মূৰ্ত্তি স্থাপিত আছে। এই ঠাইৰ মহাপুৰুষীয়া ধৰ্ম্মৰ ভিতৰতো মূৰ্ত্তি পূজাৰ প্ৰচলন আছিল।

**হৰিপুৰ**— দিপীলা মৌজাৰ ভিতৰত দামোদৰী সম্প্ৰদায়ৰ সত্ৰ। এই সত্ৰ স্থাপনকৰ্ত্তা পুৰুষজনে দৰঙ্গীৰজাৰ পৰা বহুতো ব্ৰহ্মোত্তৰ ভূমি দান পায়। শ্ৰীযুত দিবাকৰ গোস্বামী বৰ্ত্তমান সত্ৰৰ সত্ৰাধিকাৰ।

**বৈৰাগী**— দাহী মৌজাৰ অন্তৰ্গত, দামোদৰী সম্প্ৰদায়ৰ সত্ৰ। এজন সাধকৰ যোগশক্তি দেখি দৰঙ্গীৰজাই ব্ৰহ্মোত্তৰ দান কৰে এই সত্ৰ পতাই বৰ্ত্তমান সত্ৰাধিকাৰে উক্ত সাধকৰ বংশধৰ বুলি পৰিচয় দিয়ে।

**ৰামনদি**— লোক্ৰাই মৌজাৰ ভিতৰত মহাপুৰুষীয়া সম্প্ৰদায়ৰ সত্ৰ। হৰিহৰ আতৈ এই সত্ৰৰ স্থাপনকৰ্ত্তা। শ্ৰীযুত ধৰ্ম্মনাৰায়ণ গোস্বামী এই সত্ৰৰ সত্ৰাধিকাৰ।

**চিন্তামণি**— ৰঙ্গামাটি মৌজাৰ ভিতৰত। এই সত্ৰৰ স্থাপনকৰ্ত্তাজন শ্ৰীচৈতন্য সম্প্ৰদায়ৰ। এই কাৰণেই এই সত্ৰৰ নাম শ্ৰীচৈতন্যনীয়া বা চিন্তামনীয়া বোলে। এই সত্ৰত থকা শিলৰ কাৰুকাৰ্য্যবোৰ দেখি অনুমান হয়

এই সত্ৰ বহুদিন পূৰ্ব্বে প্ৰতিষ্থিত হৈছিল।

**ভৱদেৱ** — এই সত্ৰ পালবংশী ৰজাৰ দিনত সংস্থাপিত হয়। হৰিবংশ্ম ৰজাৰ প্ৰধান অমাত্য ভট্ট ভৱদেৱে ৰাজপুত্ৰৰ দিগ্বিজয় কালত এই সত্ৰ নিজ নামত প্ৰতিষ্ঠা কৰে। এই সত্ৰৰ সত্ৰাধিকাৰ শাস্ত্ৰজ্ঞ পণ্ডিত ধৰ্ম্মদেৱ গোস্বামীক ১৬৯৩ শকৰ ২১ ফাগুনত শ্ৰীশ্ৰী লক্ষ্মী সিংহ ৰজাই প্ৰমাণ পত্ৰিকাসহ বহুত ব্ৰহ্মোত্তৰ ভূমি দান কৰিছিল। এই খন লোক্ৰাই মৌজাৰ ভিতৰতে দামোদৰী সম্প্ৰদায়ৰ সত্ৰ। মঙ্গলদৈৰ অন্যতম সাহিত্যিক শ্ৰীযুত ভুৱনচন্দ্ৰ গোস্বামী এই বংশৰ বংশধৰ।

**দেৱানন্দ** — সিন্দুঘোপা মৌজাৰ ভিতৰত দামোদৰী সম্প্ৰদায়ৰ সত্ৰ। মঙ্গলদৈৰ অন্যতম সাহিত্যিক উৎসাহী ডেকা শ্ৰীযুত মুক্তানন্দ গোস্বামী দেৱ এই সত্ৰৰ স্থাপন কৰ্ত্তা গোস্বামী দেৱৰ বংশধৰ। ৺দেৱানন্দ গোস্বামী এই সত্ৰৰ স্থাপনকৰ্ত্তা। এই সত্ৰ আহোমৰজা সকলৰ দিনত এই সত্ৰৰ উন্নতি হয়।

**মাজবাট সত্ৰ** — এইখন ওবাং মৌজাৰ ভিতৰত মহাপুৰুষীয়া সত্ৰ। এই সত্ৰৰ স্থাপনকৰ্ত্তাজন গোবিন্দ আতৈৰ বংশধৰ।

**মাৰৈ সত্ৰ** — লোক্ৰাই মৌজাৰ ভিতৰত। এই সত্ৰত থকা দৌল নামঘৰ ও শিলৰ কাৰুকাৰ্য্যবোৰে ইয়াক প্ৰমাণ কৰে যে বহুকাল পূৰ্ব্বে ই প্ৰতিষ্ঠিত হৈছিল।

( ৬ )

এতিয়া দৰঙ্গীৰজাৰ ৰাজসভাৰ সভাপণ্ডিত সকলৰ বিষয় চমু বৰ্ণনা কৰা হওক।

**পীতাম্বৰ সিদ্ধান্ত বাগীশ** — এওঁ এজন স্মৃতি বিশাৰদ মহাপণ্ডিত। এওঁৰ পাণ্ডিত্য গুণত মোহিত হৈ দৰঙ্গীৰজাই পুৰোহিত আৰু দীক্ষাগুৰু কৰি লৈছিল। মঙ্গলদৈৰ সাহিত্য সেবী শ্ৰীযুত জগন্নাথ ভট্টাচাৰ্য্য এওঁৰ বংশধৰ বুলি পৰিচয় দিয়ে। ঘৰ সৰাবাড়ী মৌজাৰ সৰাবাৰী গাওঁত।

**ৰাম সৰস্বতী** — এওঁ মহাভাৰত অসমীয়া পদলৈ ভাঙোতা বিখ্যাত কবি। দৰঙ্গৰ ৰাজসভাৰ সভাপণ্ডিত এওঁৰ ঘৰ কতাহীৰ ওচৰৰ চমতীয়া গাওঁত সৰাবাড়ী মৌজাৰ ভিতৰত। বহুতো পণ্ডিতৰ মতে এওঁ কামৰূপ জিলাৰ অন্তৰ্গত চামতাৰ। কিন্তু তেওঁৰ ঘৰ কামৰূপৰ চামটাত নাছিল; আছিল মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত কতাহী গাওঁৰ ওচৰতে থকা চমতীয়া গাওঁত। চমতীয়া গাওঁত অতিজৰে পৰা বহুতো পণ্ডিত ব্ৰাহ্মণ বাস কৰি আহিছে। এতিয়াও সেই সকলৰ বংশধৰ সকল তাত আছে। চমতীয়া নামৰ গাওঁখনৰ নামটো সেই সময়ৰ পৰা এতিয়ালৈ অলপো অপভ্ৰংশ নোহোৱাকৈ চলি আহিছে। কবিৰ ভণিত অসমীয়া মহাভাৰত বিৰাট পৰ্ব্বৰ ৪ৰ্থ অধ্যায়ৰ বৰ্ণনাত দেখা যায় যে—

গ্ৰাম মধ্যে সাবোত্তৰ. চমতীয়া নাম যাৰ,
কপাহ ঠাৰ মধ্যে লেখি যাক ।
ব্ৰাহ্মণ সকলে ভাত, ভাগৱত অবিশ্ৰান্ত
অভ্যাসি থাকয় সবে ভাত ॥
তাতে ভৈলা দ্বিজবৰ সজ্জনৰ প্ৰিয়কৰ,
শুনিলে কৰ্ম্মত যাৰ ৰতি ।
ধীৰ ধৈৰ্য্য শান্ত শিষ্ট, দেৱ দ্বিজ আৰাধক
যাৰ নাম ৰাম সৰস্বতী ॥

এই পদৰ উল্লেখ থকা চমতীয়া গাওঁ বৰ্ত্তমান মঙ্গলদৈৰ অন্তৰ্গত চমতীয়া গাওঁকহে বুজায় । পদত লিখা কপাহঠাৰ শব্দে বুজোৱা গাওঁ খনিৰ নাম কতাহী । কতাহী বৰ ডাঙৰ গাওঁ, আৰু চমতীয়া কতাহীৰ ওচৰৰ সৰু গাওঁ । কতাহী আৰু চমতীয়া আঁতৰৰ পৰা মানুহে এখন গাওঁ বুলিযেই ভাবে । বৰ্ত্তমান কতাহীৰ নাম সেই সময়ত কপাহঠাৰ আছিল । কতাহী, কপাহী, কপাহঠাৰ শব্দটো বৰ্ত্তমান 'টাৰি' শব্দৰ নিচিনাকৈ ব্যৱহাৰ হৈছিল । এতিয়াও মঙ্গলদৈত একেলানীয়ে বহুতঘৰ মানুহ বাস কৰা ঠাইক টাৰি বোলে । কিম্বা ঠাৰ শব্দই মঙ্গলদৈত বৰ্ত্তমানো ব্যৱহাৰ হোৱা, ঠেৰ বা থেৰ শব্দকহে বুজাইছে । কাৰ ঘৰৰ বা কোন বংশৰ বা ইত্যাদি কোনো বিশেষত্ব থকা ঠাই, মানুহ বা বংশ বুজাওঁতে মঙ্গলদৈৰ মানুহে এতিয়াও ঠেৰ বা থেৰ শব্দ

ব্যৱহাৰ কৰে। যেনে "প্ৰঃ—তুমি কাথেৰ ? উঃ—মই হলিৰাম থেৰ। কিম্বা মই বৰুৱা থেৰ, নতুবা মই কতাহীয়া থেৰ। এই থেৰ শব্দ হয়টো' তেতিয়া থাৰ বা ঠাৰ শব্দ আছিল। এই বাবে চমতীয়া যে কতাহী গাওঁৰ ৺চৰৰ চমতীয়া ই নিশ্চয়। ৰামসৰস্বতী দৰঙ্গী-ৰাজ সভাৰ সভাপণ্ডিত যে আছিল তাত অকণো সন্দেহ নাই। অসমীয়া মহাভাৰতৰ অন্তৰ্গত উদ্যোগ পৰ্ব্বৰ ৬ষ্ঠ অধ্যায়ত বৰ্ণনা দিওঁতে কবিয়ে লিখিছে যে,—

পৰাক্ৰমে গুণালয়, ৰূপে যেন ধনঞ্জয়,<br>
যাৰ যশ দশোদিশে গৈলা।<br>
ধৰ্ম্মৱন্ত দেখি সাৰ, স্বৰ্গ মহাৰাজা যাৰ,<br>
ধৰ্ম্মনাৰায়ণ নাম থৈলা॥<br>
আমাৰ আশিষাবৰে, যাৱচ্চন্দ্ৰ দিবাকৰে,<br>
ধৰ্ম্মনাৰায়ণ চিৰজীৱ।<br>
স্বধৰ্ম্মে পালিয়ো প্ৰজা, হুয়ো একছত্ৰ ৰাজা,<br>
সদা বৰ দিয়ন্তোক শিৱ॥<br>
শুনিয়োক সভাসদ, ইটো ভাৰতৰ পদ,<br>
বড়া টুটা দোষ ক্ষমা কৰি।<br>
পুষ্পাঞ্জলি কৰি স্তুতি. বোলে ৰাম সৰস্বতী,<br>
সঘনে ঘুষিও ৰাম হৰি॥

ৰাম সৰস্বতী যে দৰংৰাজ ধৰ্ম্মনাৰায়ণৰ সভাৰ কবি আছিল, এই পদ কেফাঁকিয়ে প্ৰমাণ দিয়ে। কবি

ৰাম সৰস্বতীৰ বংশতে আৰু কেবাজনো কবি আছিল, চন্দ্ৰভাৰতী, আচাৰ্য্য. কবিচন্দ্ৰ আৰু কবি চুড়ামণি। এওঁলোকৰো ৰচিত পুথি আছে।

**সাগৰ খাঁড়**—এওঁ লোক্ৰাই মৌজাৰ ভিতৰৰ গোৱাল-বাৰ গাওঁৰ আছিল। এওঁৰ পুৰানাম চন্দ্ৰশেখৰ সাগৰ-খৰি। এওঁ জলতত্ত্বৰ্ণিদ্ পণ্ডিত, জ্যোতিষী কবি আৰু বৈদ্য আছিল। এওঁৰ ৰচিত কুম্ভবলী বধ অসমীয়া নিদানশাস্ত্ৰ আদি কেবাখনিও পুথি আছে, উক্ত গাওঁত এওঁৰ বংশৰ বহুত মানুহ এতিয়াও আছে।

**সূৰ্য্য খাঁড়**—ঘৰ লোক্ৰাই মৌজাৰ নায়কপাৰা গাওঁত। এওঁ আকাশৰ গ্ৰহ নক্ষত্ৰ গণনাত সিদ্ধহস্ত আছিল। দৰঙৰ ৰাজবংশাৱলী এওঁ ৰচনা কৰিছিল। শ্ৰীযুত ভগীৰাম বৰুৱা বি,এ, আদি এওঁৰ বংশৰ মানুহ কেবাঘৰো উক্ত গাওঁত এতিয়াও আছে।

**নাৰায়ণ দেৱ**—এওঁৰ ঘৰ ব্যাসপাৰা গাওঁত আছিল এওঁ পদ্মপুৰাণৰ অন্তৰ্গত বেউলাৰ আখ্যানৰ ৰচক। এওঁৰ কবিতা অতি সুমধুৰ। কবিয়ে তেওঁৰ ৰচিত পুথিত নিজৰ পৰিচয় ক'তো দিয়া নাই। সেই বাবেই বঙালী প্ৰত্নতাত্ত্বিক সকলে এওঁক লৈ টনাআজোৰা কৰে। পদ্মপুৰাণৰ অসমীয়া ভাঙনি কৰোঁতা ৺দুৰ্গাবৰ আৰু ৺মনকৰৰ ১০০ বছৰৰ পিচত এওঁ পদ্মপুৰাণৰ অন্তৰ্গত বেউলাৰ আখ্যান অসমীয়ালৈ অনুবাদ কৰে বুলি

আসামৰ সুপ্ৰসিদ্ধ প্ৰত্নতাত্ত্বিক আৰু সাহিত্যিক শ্ৰীযুত তাৰানাথ চক্ৰবৰ্ত্তীয়ে লিখিছে। ৺দুৰ্গাবৰৰ কবিত্বৰ ভাষা আৰু ভাব দেখি তেওঁক নৰনাৰায়ণৰ ৰাজত্ব কালৰ কবি বুলি অনুমান হয়। ৺দুৰ্গাবৰৰ ১০০ বছৰৰ পিচত নাৰায়ণদেৱৰ কবিতা হলে, ধৰ্ম্মনাৰায়ণৰ ৰাজত্ব কালত পৰিব। তদুপৰি কবিৰ কবিত্বৰ ভাষা দেখি নিশ্চয়কৈ কব পাৰি যে তেওঁ মঙ্গলদৈয়া কবি আছিল। "কাৰ কাটিছিলো মই চালত উঠা পুঁই। সিকাৰণে স্বামীক মাৰি বুক দিলা জুই ॥" পুঁই এই শব্দটি মঙ্গলদৈত ব্যৱহাৰ হয়। পুইক ওপৰ আসামত পুৰৈশাক কামৰূপত পুঁইশাক আৰু মঙ্গলদৈত পুই বোলে যেনে ৰঙাপুই, বগাপুই, সৰুপুই, বৰপুই। তদুপৰি বেউলাদেৱীৰ মঙ্গলদৈতে জন্ম হোৱা বাবে, সেই ঠাইৰ সেই পুৰণি ঘটনাৰ স্মৃতি চিন দেখি আৰু মঙ্গলদৈৰ মানুহৰ প্ৰগাঢ় পদ্মাভক্তি দেখি কবিৰ সেই বিষয় আখ্যান লিখিবলৈ আগ্ৰহ জন্মা স্বাভাৱিক। ব্যাসপাৰ নিবাসী ৺ধাতুৰাম ওজাদেৱে তেওঁৰ বংশৰ মূল পৰিচয় দিছিল। এনেস্থলত আমাৰ এই অসমীয়া কবিজনাক বঙালী প্ৰত্নতাত্ত্বিক সকলে টান-আজুৰি দিগদাৰ দিয়া বাবে দুখিত নহৈ নোৱাৰোঁ।

**ব্যাস সৰ্ব্বানন্দ**—এওঁৰ ঘৰ লোক্ৰাই মৌজাৰ অন্তৰ্গত ব্যাসপাৰা গাঁওত। এওঁ এজন ৰাগৰাগিণী জ্ঞ গায়ক আৰু কবি আছিল। এওঁৰ উপাধি আছিল ব্যাস

প্ৰাতঃস্মৰণীয় সাধক প্ৰবৰ ৺দয়ানন্দ সৰস্বতীয়ে ব্যাস শব্দ ব্যাখ্যা কৰি লিখিছে যে, যি চাৰি বেদাদি, আৰ্য্য শাস্ত্ৰৰ সম্যক্‌জ্ঞান লাভ কৰিব পাৰিছে তেওঁকে ব্যাস বোলে। বেদজ্ঞ পণ্ডিত ব্যাস একোজন হিন্দুৰাজ সভাত ৰাখি বৈদিক আলোচনা কৰা প্ৰমাণ দেখা যায়। ৰজাৰ লগেলগে থাকি তেওঁলোকে ( ব্যাসে ) বেদ ব্যাখ্যা কৰিছিল। কামৰূপৰ বৰ নগৰৰ ওচৰতো ব্যাসপাৰা আছে বুলি শুনা যায়। পশ্চিমৰ ফালেও এতিয়াও ব্যাস উপাধিধাৰী মানুহ থকা শুনা যায় আৰু ব্যাসপুৰী নামৰ গাওঁ থকাও শুনা যায়। ব্যাসসকলে বৈদিক স্তোত্ৰাদি বেদৰ ছন্দেৰে ৰাগ-ৰাগিণী যুক্ত কৰি দেৱ দেৱীৰ পূজাৰ সময়ত গান কৰিছিল আৰু এতিয়াও মঙ্গলদৈৰ হিন্দু মানুহৰ ঘৰত আৰু দৰঙ্গীৰজা সকলৰ বংশধৰ সকলৰ ঘৰত মঙ্গলদৈত থকা ৺সৰ্ব্বানন্দ ব্যাসৰ বংশধৰ সকলে দেৱ-দেৱীৰ পূজাৰ সময়ত মালশ্ৰী আদি গান কৰে। বহুতৰো বিশ্বাস আসামত ৰাগিণীৰ প্ৰথা নাই। কিন্তু এতিয়াও এই ব্যাস সকলে ৰাগিণী স্বৰক অসমীয়া ভাষাত বহুকালৰ পূৰ্ব্বে ৰচিত মালশ্ৰী গান কৰি তাক সপ্ৰমাণ কৰিছে।

**পাৰিজাৰ্তি ব্যাসনী—** এইজনা বেদজ্ঞাবিদুষী মহিলা ওপৰোক্ত ব্যাস বংশ সম্ভূতা আছিল। এওঁ সাধনা শক্তিৰ দ্বাৰা বাক্‌সিদ্ধি শক্তি লাভ কৰিছিল

এওঁৰ ভগৱতী সাধনাৰ শক্তি দেখি দৰঙ্গীৰাজ ধৰ্ম্ম-নাৰায়ণে বহুতো মাটিবাৰী দান কৰি ৰাজসভাৰ সভা পণ্ডিত ক'ৰ লৈছিল। এওঁ চিৰকুমাৰী আছিল। এওঁ বৰ ধৰ্ম্মিষ্ঠা আছিল। আজিও তেওঁৰ বংশৰ সকলো নৰনাৰীয়ে প্ৰতি শুভ কাৰ্য্যৰ আৰম্ভণতে "পাৰিজাত ব্যাসনীৰ ধৰ্ম্মে যি কৰে?" বুলি কয়।

মহাৰাজ ধৰ্ম্মনাৰায়ণে এই পণ্ডিত সকলৰ দ্বাৰা শাস্ত্ৰাদি ৰচনা কৰাই তেওঁৰ অধীনৰ দৰংৰাজ্যত সাম্য-মৈত্ৰী স্বাধীনতাৰ ভাব প্ৰচাৰ কৰিছিল।

ধৰ্ম্মনাৰায়ণৰ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰ মহেন্দ্ৰনাৰায়ণ ৰজা হয়। মহেন্দ্ৰনাৰায়ণৰ ৰাজত্ব কালত আহোমৰজা চক্ৰধ্বজ সিংহৰ লগত মুছলমানৰ যুদ্ধ হয়। মহেন্দ্ৰনাৰায়ণৰ পুত্ৰ যুৱৰাজ চন্দ্ৰনাৰায়ণে কেইবা হাজাৰো মঙ্গলদৈয়া সৈন্য লৈ শৰাইঘাটত গৈ মহাবীৰ লাচিত বৰফুকনক সহায় কৰিছিল।

মহেন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰ চন্দ্ৰনাৰায়ণ মোহনপুৰৰ সিংহাসনত উঠি ৰজা হয়। চন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰ ইন্দ্ৰনাৰায়ণ ৰাজপাটত উঠে। তেওঁৰ মৃত্যুৰ পিচত তেওঁৰ পুত্ৰ আদিত্যনাৰায়ণ মোদ-নাৰায়ণ, ধৈৰ্য্যনাৰায়ণ তিনিওজনাৰ ভিতৰত সমানে ভাগ কৰি লয়। এইখিনিৰ পৰা দৰঙ্গীৰাজকোঁৱৰ সকলৰ ভিতৰত 'গৃহকন্দল' হৈ ৰাজ্য ঠানঠান হয়। এই সময়তে,

তেওঁলোকৰ পিতৃৰাজ্য ভাগ হোৱাৰ লগেলগে পূৰ্ব্বৰ পিতৃ-পিতামহ সকলৰ বহুযত্নেৰে আৰ্জিত মাতৃভাষাৰ অমূল্য সম্পদ পৰণি পুথি বিলাক ভাগ কৰি কৰি লৈলে। তাৰ পিচত মোদনাৰায়ণ আৰু দৈত্যনাৰায়ণৰ পুত্ৰ সকলে তেওঁলোকৰ পিতৃৰাজ্য একোটি অতি সামান্য অংশ কৰি লয়। তাৰ পিচত ক্ৰমে ভাগ হৈ হৈ তেওঁলোকৰ ভাগত থকা অংশ বিলাকত দুই একোখন মৌজাৰ সমান হৈছিল গৈ। আহোমৰাজ্য ইংৰাজৰ হাতলৈ যোৱাৰ লগেলগে দৰংৰাজ্যও ইংৰাজৰ হাতলৈ যায়। দৰংৰাজাৰ ৰজাসকলৰ অধঃপতনৰ বুৰঞ্জী অধ্যয়ন কৰিলে দেখা যাব যে, গৃহকন্দল, ধৰ্ম্মপ্ৰৱণতা, যুদ্ধ বিদ্যাৰ চৰ্চ্চা নোহোৱাই তেওঁলোকৰ ৰাজ্য ধ্বংশৰ মূলকাৰণ। এহাতে শাস্ত্ৰীয় বিদ্যাৰ চৰ্চ্চা যেনেকৈ কৰিছিল আনহাতে অস্ত্ৰীয় বিদ্যাৰ চৰ্চ্চা তেনেকৈ ত্যাগ কৰিছিল। সদায় ৰাজসভাত দৰ্শন বিজ্ঞান পুৰাণ, ভাগৱত আদি শাস্ত্ৰচৰ্চ্চা মহাশান্তিৰে শুনি থাকি থাকি মন উদাস ভাৱত পূৰ্ণ হৈ ঐহিক সুখলাভত উদাসীন হৈছিল। গৃহকন্দল হৈ সৰু ৰাজ্যখনিয়ে অনেক ভাগত ভাগ হৈ খণ্ড বিখণ্ড হৈ গল।

দৰঙ্গৰজা সকলৰ দিনত হিন্দুৰ বিশেষতঃ অসমীয়া হিন্দুৰ ধৰ্ম্মচৰ্চ্চা বিষয়ত বহুত উন্নতি হয়। মঙ্গলদৈত এতিয়াও চৌপাশত থকা পুজা পাৰ্ব্বণাদি ও ভাব বিধি আদি মণ্ডলাদি ৰচনাকৰা কলা কৌশলাদি দেখিলে তাৰ্ক

অনুমান কৰিব পাৰি। সেইঁওলোকৰ প্ৰতিজন বঙ্গাইঁ তেওঁলোকৰ ৰাজত্ব কাল ডোখৰ এই বিলাক চিন্তা কৰিয়েই কটাইছিল। তাৰ দ্বাৰা তেওঁলোকৰ আত্মশক্তিৰ ওপৰত বিশ্বাসহীন হৈ ঘোৰ ভাগ্যবাদী আৰু সকলো তেওঁলোকৰ উপাস্য দেৱদেৱীয়ে দিব বুলি ভাবি সকলো শক্তি দেৱদেৱীৰ পূজাতে ব্যয় কৰিছিল। সেইবাবে গৈ তেওঁলোকে সেইওঁলোকৰ পূৰ্ব্বপুৰুষ সকলৰ যুদ্ধৰ অস্ত্ৰ দা-তৰোৱাল বিলাক পুজাৰ মহ ছাগলী কটা কামতহে ব্যৱহাৰ কৰিছিল গৈ। দৰঙ্গীৰাজকুমাৰ সকলৰ ঘৰত এতিয়াও সেই অস্ত্ৰ বিলাক আছে, আৰু তাৰে পুজাত মহ ছাগলী কাটে।

ৰজা সকল দূৰ্ব্বল হৈ আহিলত তেওঁলোকৰ ৰাজ্যৰ একোটি অংশ দৰংৰাজ্যৰ উত্তৰে থকা পৰ্ব্বতীয়া জাতি ভোট, ডফলাইঁতে নিজ নিজ ৰাজ্যৰ ভিতৰুৱা কৰি ললে। এতিয়াও মঙ্গলদৈ মহকুমাৰ ভিতৰৰ উত্তৰ অঞ্চলৰ ঠাই বিলাকৰ কিছুমান ঠাইৰ বাবে গৱৰ্ণমেণ্টৰ পৰা ভোট বিলাকে পচা নিয়ে। ইংৰাজ গৱৰ্ণমেণ্টৰ হাতলৈ সেই ঠাই বিলাক অহাৰ পূৰ্ব্বে ভোট আৰু ডফলাবিলাকে সেই ঠাইৰ অধিবাসী বিলাকৰ ওপৰত সময়ে সময়ে অত্যাচাৰ কৰিছিল। আৰু এই অত্যাচাৰ সহিব নোৱাৰি সেই ঠাইৰ মানুহ বিলাকে একমুঠ হৈ সিইঁতৰ অত্যাচাৰৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। এইদৰে কলাইগাওঁ মৌজাৰ

ভিতৰত থকা বগ থলিত, আৰু টাংলা ষ্টেচনৰ পৰা ৪ মাইল উত্তৰে থকা ডফলাকাটাৰ ভোট আৰু ডফলাৰ লগত প্ৰজাই যুদ্ধ কৰিছিল।

( ৭ )

মঙ্গলদৈৰ সাহিত্য-বুৰঞ্জীত উল্লেখ কৰিব লগীয়া আৰু কেইটিমান ঠাই আছে তাৰ ভিতৰত আহোমকাটা, মোগলবেছা, পথৰুঘাট প্ৰধান।

আহোমকাটা—হিন্দুঘোপা মৌজাৰ ভিতৰৰ এখনি পথাৰ। ব্ৰহ্মপুত্ৰৰ এটা মৰা সুঁতিৰ ওচৰত। ইয়াৰ নামৰ ওপৰত আৰু ঠাইৰ বিস্তৃতিৰ ওপৰত নিৰ্ভৰ কৰি অনুমান হয় ইয়াত আহোমৰ লগত মুছলমানৰ যুদ্ধ হৈছিল।

মোগলবেছা—ই কলাইগাওঁ মৌজাৰ ভিতৰৰ ঠাই। বৰ্ত্তমান ইয়াৰ বহুতো অংশ হাবি জঙ্গলেৰে পৰিপূৰ্ণ। শুনা যায় ইয়াত বোলে কোচ আৰু মোগলৰ ভিতৰত হোৱা যুদ্ধত যি বিলাক মোগল বন্দী হৈছিল, সেইবিলাকক বেছা হৈছিল। হাবিৰ মাজত কিছুমান লোৰ খুঁটা পোটা আছে বুলি চীকাৰী বিলাকে কয়।

পথৰুঘাট—বৰনাকুছি মৌজাৰ ভিতৰত। ই আজিকালিও মঙ্গলদৈৰ ভিতৰত এখান প্ৰধান ঠাই। আগেয়ে ইয়াত তহচিল অফিচ আছিল। এতিয়া লোকেল বোৰ্ডৰ ডাক বঙ্গলা, এখনি প্ৰাইমাৰী ও এখনি মাইনৰ

স্কুল, এটি নামমাত্র ডাকঘৰ, এখন সপ্তাহত এদিনকৈ বহা লোকেল বোৰ্ডৰ ডাক থকা হাট আছে। এই ঠাঁইৰ ইতিহাস বৰ দুখ লগা। ইং ১৮৯৪ খৃঃ যেতিয়া মিঃ ডাব্লুউ ই ৱাৰ্ড চীফ কমিচনাৰ, মিঃ এণ্ডাৰচন দৰং জিলাৰ ডেপুটি কমিচনাৰ, মিঃ ৰেমচন মঙ্গলদৈ মহকুমাধিপতি থাকে সেই সময়ত ইয়াত এটি ঘটনা হৈছিল। চৰকাৰী বিপোৰ্টৰ সকলে বিদ্ৰোহ, আৰু আসাম বুৰঞ্জী লিখকে যাক ৰণ বুলি বুৰঞ্জীত ঠাই দিছে। আসামৰ ভিতৰত অসমীয়া প্ৰজাই বৃটিচ গবৰ্ণমেণ্টৰ মতৰ বিৰুদ্ধে প্ৰতিবাদ কৰি হয়তো প্ৰথমে, আৰু এতিয়ালৈ শেহত বৃটিচৰ পৰাক্ৰমী চিপাহীৰ বন্দুকৰ গুলীত প্ৰাণ দিছিল। এই ঘটনাৰ মূল কাৰণ আছিল মাটি পিয়লৰ পিছত বাকে আগত কৈ অতিপাতকৈ খাজনাৰ হাৰ বৃদ্ধি কৰাত প্ৰজাই আপত্তি কৰি মাঘ মাহলৈ খাজনা নিদিয়াকৈ থকা। পথৰুঘাটলৈ জিলাৰ বৰ চাহাব মিঃ এণ্ডাৰচন আহিব, মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত সকলো ঠাইৰ মানুহে এই সংবাদ পায়, খাজনা বেচি নকৰিবৰ খাজনাৰ হাৰতে খাজনা লোৱাহে আদায় কৰি লওক বুলি আপত্তি জনাবলৈ আহিছিল। জিলাৰ বৰ চাহাব ১২ জন সশস্ত্ৰ চিপাহী, মহকুমাধিপতি, পুলিচ চাহাবে সেইতে মানুহক আপত্তি কৰিবলৈ হাক দিবলৈ আহিছিল। দুপৰীয়া সময়ত সকলো ঠাইৰ পৰা মানুহ আহি গোট খালত, সকলো

মানুহে হৰিধ্বনি দি বজাক আশীৰ্ব্বাদ কৰি গৈ বৰ চাহাবক প্ৰণাম জনাই আপত্তি কৰিলে। মানুহ কম পক্ষেও ৫।৬ হেজাৰৰ কম হোৱা নাছিল। পিচৰ মানুহ বিলাকে আগৰ মানুহ বিলাকক ঠেলি বৰ চাহাবক দৰ্শন কৰি আপত্তি জনাবলৈ গৈছিল। মানুহ বিলাকৰ এনে হেচা হেচি ঠেলাঠেলি দেখি মানুহ বিলাকক আঁতৰ কাৰবলৈ চিপাহী সকলক আদেশ কৰিলে। চিপাহীয়ে মানুহ বিলাকক তাৰ পৰা আঁতৰ হবলৈ হুকুম দিলে। কিন্তু পিচৰ মানুহে আগৰ মানুহ বিলাকক এনেকৈ ঠেলি নিছিল যে আগৰ মানুহ'খিনি অনেক যত্ন কৰিও আঁতৰ হব নোৱাৰিলে। পলম হোৱা বাবে চিপাহীয়ে মানুহ বিলাকক গাতিয়াই বন্দুকৰ কুন্দাৰে খুন্দিয়াই আঁতৰ কৰবলৈ হেচা দিলে। কিন্তু পিচৰ মানুহ বিলাকে তেতিয়াও আগলৈ হেচি গৈছে আছিল, আৰু আগৰ মানুহবোৰ কোনো মতেই আঁতৰ হব পৰা নাছিল। এইদৰে ভয়ঙ্কৰ ঠেলা-ঠেলি [illegible] [illegible] হৈছিল [illegible] হুকুম [illegible] কৰা দুলি অপেক্ষাৰ হুকুমমতে মানুহৰ গালে গুলি এৰি দিলে। যিবিলাকৰ গাত গুলি পৰিছিল, সেই বিলাক তাতে পৰি পৰি মৰিল। যি বিলাকৰ কোনো মতে আঁতৰ হব পৰা শক্তি আছিল সেইবিলাক আঁতৰ হ'ল। বিশেষত বলহীন বুঢ়া বেমাৰী আদি বহুতো মানুহ আগতে গুলি পাই অনেক মানুহ মৰা দোষত

আঁতৰ হ'বলৈ সমৰ্থ নহ'ল। আৰু বেচাৰীইঁতেও গুলিত প্ৰাণদান দিলে। কিছুমান মৰিল, কিছুমান আঘাত হৈ তাতে পৰি থাকিল কিছুমান পলাই প্ৰাণৰক্ষা কৰিলে। যি বিলাক আঘাত হৈ তাতে পৰি থাকিল সেইবোৰক মঙ্গলদইলৈ স্থানান্তৰ কৰা হ'ল আৰু চিকিৎসাৰ পিচত আৰোগ্য হোৱাত জৰিমনা আৰু ফাটক খটুৱাই এৰি দিয়া হ'ল। শুনা যায় মুঠতে ১৪০ জনমান মানুহ পথৰুঘাটত মৰিল। চিপাহী সকল গাওঁলৈ গৈ গাওঁৰ মানুহৰ ঘৰ দুৱাৰ লুটি হাঁহ, পাৰ, মুৰগী, ছাগলী, মিঠাটেঙা, কুহিয়াৰ, নাৰিকল আদি আনি খাবলৈ ধৰিলে। পিচদিনা পুৱাই ৫০ পঞ্চাশজন অশ্বাৰোহী বিলাতী চাহাব চিপাহী আহি পথৰুঘাট পালেহি। ওচৰৰ গাওঁৰ মানুহ ঘৰ এৰি আঁতৰ হ'ল। বৰচাহাব মহকুমাধিপতি হিন্দুঘোপাৰ ডাক বাংলাত গৈ খাজনা আদায় কৰিবলৈ ধৰিলে। গাবেগাৰে পুলিচ গৈ যাৰ গাত গুলি পাইছে তাকে ধৰি নি ফাটকত দিলে। কোনো কোনো মুৰব্বী সম্ভ্ৰান্ত মানুহক ধৰি নি স্পেচিয়েল কানষ্টবল পাতি ডাক বংলাত প্ৰহৰী নিযুক্ত কৰিলে। এইদৰে প্ৰায় এমাহ চলিছিল। এইখিনিতে কোৱা উচিত যে, কোনো কোনো মানুহৰ মুখে শুনা যায় চিপাহীয়ে মানুহক সঙ্গীনেৰে খোচাত আৰু বন্দুকেৰে খুণ্ডাত মানুহে চিপাহীকো কোবায় আৰু তাৰ পিচতহে চিপাহীয়ে গুলি দিয়ে।

কিন্তু স্থলৰ বিষয় মানুহৰ দ্বাৰা এজনো চৰকাৰী কৰ্ম্মচাৰী কিম্বা চিপাহীৰ অলপো আঘাত হোৱা নাছিল । এই ঘটনা যিদৰে মানুহৰ মুখে শুনা গৈছে সেই দৰে বৰ্ণনা কৰা হৈছে । ইয়াৰ লিখিত বিৱৰণ একো প্ৰজাসাধাৰণৰ হাতত নাই । শুনাযায় ৺ধৰকৰায়ফকী নামে এজন মুছলমান মানুহে এই ঘটনাৰ বিৱৰণ পদ্যাকাৰে ৰচনা কৰি গাওঁৰ হিন্দু ভাৰৰীয়াক গাবলৈ দিছিল । সেই বৰ্ণনাত প্ৰকৃত বিৱৰণ আছিল । কিন্তু তাৰ পিচত বোলে এনে জনৰৱ ওলাল যদি ভাৰৰীয়াই এনেকৈ পথৰুৱাটৰ ৰণ গায়, তেন্তে ধৰি নি ফাটেকত দিব । তেতিয়াৰ পৰা পথৰুঘাটৰ ৰণৰ আলোচনা আৰু বৰ্ণনা সমাজৰ মানুহৰ মাজত নোহোৱা হ'ল । আজি ত্ৰকুৰী বছৰ পূৰ্ব্বৰ ঘটনা । এই ঘটনা হুবহু শুনা মতে বৰ্ণনা দিয়া হ'ল । পাঠক সকলে ৰণ, বিদ্ৰোহ, হত্যাকাণ্ড যি বোলে বোলক ।

( ৮ )

এতিয়া মঙ্গলদৈৰ বৰ্ত্তমান স্বাস্থ্য-সমাজ ধৰ্ম্মভাবৰ চমু আভাস পাঠকক জানিবলৈ দিবৰ আৱশ্যক অনুভৱ কৰিলোঁ । বৰ্ত্তমান মঙ্গলদৈৰ স্বাস্থ্য আসামৰ ভিতৰত আটাইত কৈ বেয়া । বাৰো মাহে ইয়াত হাইজা বসন্ত আদি মহামাৰী থাকে । ম্যালেৰিয়া, কলাজ্বৰৰ প্ৰভাবো কম নহয় । তাত বাদেও আজি কালি বিদেশৰ পৰা নতুন নতুন বেমাৰ প্ৰবেশ কৰিছেহি ।

মঙ্গলদৈৰ সমাজৰ বিস্তৃতি ঠেক আৰু বান্ধ কটকটীয়া অথচ উদাৰ আৰু সৰল। ইয়াৰ হিন্দু মুছলমানৰ ভিতৰত খুব মিলাপ্ৰীতি আছে। মঙ্গলদৈৰ সমাজৰ প্ৰচলিত নীতি নিয়ম আসামৰ আন ঠাইৰ সমাজৰ লগত বহুত বিষয়ত অমিল দেখা যায়। মঙ্গলদৈৰ মানুহ ধৰ্ম্মভীৰু। অথচ সৰল আৰু উদাৰ। কোনো সম্প্ৰদায় বিশেষৰ ভিতৰত বিবাদ নাই। হিন্দু, মুছলমান, বৌদ্ধ খৃষ্টান আটাই ধৰ্ম্মৰে মানুহ একে গাওঁত মিলাপ্ৰীতিৰে বাস কৰিছে। উৎসৱ মঙ্গলদৈৰ প্ৰায় গাওঁতে বহাগমাহ জুৰি দোলা নামে এটি উৎসৱ হয় তাত দেশী বিদেশী বস্তুৰ বেচা কিনা কৰিবলৈ মেলা হয়। তাত বাদেও ভাদ আহিনৰ সংক্ৰান্তিত থটবা সত্ৰত, আহিন কাতিৰ সংক্ৰান্তিত দেৱানন্দ সত্ৰত পাচতা আৰু মঠনা নামে উৎসৱ প্ৰতি বছৰে হয়। তাতো এদিন মেলা হয়।

মঙ্গলদৈৰ পুৰণি সভ্যতা বৰ্ণনা কৰা হ'ল। বৰ্ত্তমান পাশ্চত্য সভ্যতাত মঙ্গলদৈ আটাইতকৈ পিচত। নব্য শিক্ষিতৰ সংখ্যা খুব কম। সৰ্ব্বসাধাৰণ মানুহ বিলাক সৰল আৰু হোজা। ১৯২১ চনত দেশব্যাপি তোৰ অসহযোগ আন্দোলনত মঙ্গলদৈ আসামৰ শীৰ্ষস্থান অধিকাৰ কৰিছিল। ১৯৩২চনৰ প্ৰথমে আইন অমান্য আন্দোলনতো পিচপৰা নাই। ১৯৩৪ ইং চনতে মঙ্গলদৈত প্ৰাদেশিক মণ্ডল কাননগুহ সন্মিলন, আসাম সাহিত্য সভা, আসম শিক্ষক সন্মিলন বহে। বৰ্ত্তমান মঙ্গলদৈৰ সভ্যতা বহুত পিচত। ভৱিষ্যত ভগবানৰ হাতত।

— সমাপ্ত —